সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩২ বছৰ, ২৪ সংখ্যা, ৩০ জেঠ, ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 24 Date of Publication- 14 June 2026 Rs. 10.00/-

## ১৮ বছৰৰ ঊৰ্ধ্বৰ লোকে নাপাব আধাৰ কাৰ্ডঃ মুখ্যমন্ত্ৰী ড° শৰ্মা



ৰঙিলী বাৰ্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত শনিবাৰে অনুষ্ঠিত হয় কেবিনেট বৈঠক। ৰাজ্যিক কেবিনেটত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। সেই সিদ্ধান্ত অনুসৰি অসমত ১৮ বছৰৰ ওপৰৰ কোনো লোককে আধাৰ কাৰ্ড প্ৰদান কৰা নহয়। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেবিনেটৰ সিদ্ধান্তসমূহ সংবাদমেল যোগে সদৰি কৰে। কেবিনেটে আধাৰ কাৰ্ড প্ৰদানৰ ক্ষেত্ৰত নতুন নিয়মত অনুমোদন জনায়। সেইমৰ্মে ৰাজ্যত এতিয়াৰে পৰা ১৮ বছৰৰ ওপৰৰ যিকোনো ব্যক্তিৰ বাবে নতুন আধাৰ কাৰ্ড প্ৰদান সম্পূৰ্ণৰূপে বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰা অনুসৰি ৰাজ্যখনত ইতিমধ্যে ১৮ বছৰৰ উৰ্ধ্বৰ জনসংখ্যাৰ প্ৰায় ১০০ শতাংশই আধাৰ কাৰ্ড লাভ কৰিছে। অৱশ্যে ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীৰ কাৰণে এই নিয়ম প্ৰযোজ্য নহ'ব। যদি ১৮ বছৰৰ ওপৰৰ কোনো ব্যক্তিৰ বাবে ব্যতিক্ৰমী পৰিস্থিতিত আধাৰৰ প্ৰয়োজন হয়, তেন্তে জিলা আয়ুক্তই ৰাজ্য চৰকাৰৰ পৰা বিশেষ অনুমতি ল'ব লাগিব। অৱশ্যে চাহ জনজাতি আৰু অনুসূচিত জাতি, অনুসূচিত জনজাতি সম্প্ৰদায়ৰ লোকৰ বাবে ছমাহৰ এক বিশেষ ৰেহাই দি ২০২৭ চনৰ মাৰ্চ মাহলৈকে আধাৰ কাৰ্ড প্ৰদানৰ প্ৰক্ৰিয়াটো বাহাল ৰখা হ'ব। কিন্তু ১ এপ্ৰিল ২০২৭ৰ পৰা তেওঁলোকৰ ক্ষেত্ৰতো ১৮২ বছৰৰ ওপৰৰ হ'লে এই সুবিধা বন্ধ হ'ব। কেবিনেটৰ সিদ্ধান্তমৰ্মে ভিবি জি-ৰাম জী আইনখন ১ জুলাইৰ পৰা বলৱৎ কৰা হ'ব আৰু ইয়াৰ জৰিয়তে গ্ৰাম্য নিয়োগ নিশ্চিত কৰাৰ উপৰি গাঁৱৰ বিভিন্ন সম্পদ যেনে- স্কুলৰ চৌহদৰ দেৱাল, শ্মশান আৰু ৰাস্তা আদি নিৰ্মাণৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হ'ব। এই আঁচনিৰ অধীনত পূৰ্বৰ ৯০ দিনৰ বিপৰীতে এতিয়া

(দহ পৃষ্ঠাত চাওক)

## যোৱা ১০ বছৰত কেন্দ্ৰই অসমক দিছে ৫.৫০ লাখ কোটি দিছেঃ মুখ্যমন্ত্ৰী ড° শৰ্মা



ৰঙিলী বাৰ্তাসেৱা- শনিবাৰে বশিষ্ঠস্থিত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হয় মিডিয়া কনক্লেভৰ । কেন্দ্ৰত প্ৰধানমন্ত্ৰী হিচাপে নৰেন্দ্ৰ মোদীয়ে ১২ টা বছৰ সম্পূৰ্ণ কৰাৰ পৰিপ্ৰেক্ষিতত শনিবাৰে আয়োজন কৰা মিডিয়া কনক্লেভত উপস্থিত থাকে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। মিডিয়া কনক্লেভত মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ১২ বছৰীয়া যাত্ৰাৰ সন্দৰ্ভত আলোকপাত কৰে । সংবাদ গোষ্ঠীৰ সম্পাদকসকলৰ সৈতে বাৰ্তালাপ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যখনে কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰা বিত্তীয় সহযোগিতাৰ কথা উল্লেখ কৰি কয়- কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰা এই সমৰ্থনৰ বাবেই অসমৰ জিডিপি নাটকীয়ভাৱে বৃদ্ধি হৈছে। ২০১৫-১৬ত অসমৰ জিডিপি আছিল ২.২৭ লাখ কোটি টকা। ৰাজ্যৰ মূঠ জনমূৰি উৎপাদন চলিত বিত্তীয় বৰ্ষত হ'বগৈ

( দুই পৃষ্ঠাত চাওক)


## সূৰ্য-চন্দ্ৰ থকালৈকে অসমীয়া ভাষা জীয়াই থাকিবঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্তাসেৱা- 'সূৰ্য-চন্দ্ৰ থকালৈকে অসমত অসমীয়া ভাষা থাকিব। চৰ-চাপৰিৰ মানুহে লোকপিয়লত মাতৃভাষা অসমীয়া বুলি লিখক বা নিলিখক, সামগ্ৰিকভাৱে তাৰ কোনো প্ৰভাৱ নপৰে।' এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। শনিবাৰে দিছপুৰৰ লোকসেৱা ভৱনত কেবিনেট বৈঠকৰ পিছতে মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদমেল সম্বোধন কৰে। সংবাদমেলত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীগৰাকীয়ে চৰ-চাপৰি সাহিত্য পৰিষদে লোকপিয়লত অসমীয়া ভাষা লিখাৰ প্ৰসংগ উত্থাপন কৰি কয় যে লিখক-নিলিখক মোৰ একো কথা নাই। চৰ-চাপৰিৰ ওপৰত অসমীয়া জীয়াই থাকিব নেকি। লোকপিয়লত তেওঁলোকে অসমীয়া লিখিলে লিখক, নিলিখেলে নাই। ইয়াৰ বাবে অসমীয়া ভাষা তথা অসমীয়া সংখ্যালঘু হৈ যাব বুলি কোনো কথা নাই। যেতিয়ালৈকে চন্দ্ৰ-সূৰ্য থাকিব, তেতিয়ালৈকে অসমত অসমীয়া ভাষা থাকিব। একেদৰে বৰাকত বঙালী, বিটিচি এৰিয়াত বড়ো ভাষা প্ৰচলন হোৱাৰ দৰে অসমত ৰাভা, কাৰ্বি,

( তিনিপৃষ্ঠাত চাওক)

## যোৰহাটৰ ৰৌৰিয়াত ভাৰতীয় বায়ু সেনাৰ বিমান দুৰ্ঘটনাত ৫ জনৰ মৃত্যু



ৰঙিলী বাৰ্তাসেৱা- যোৰহাটৰ ৰৌৰিয়াস্থিত ভাৰতীয় বায়ুসেনাৰ ঘাটিত সংঘটিত হয় এক মৰ্মান্তিক বিমান দুৰ্ঘটনা। ভাৰতীয় বায়ুসেনাৰ এএন-৳চ পৰিবহণ বিমানখন অৱতৰণ কৰাৰ সময়তে শনিবাৰে পুৱা দুৰ্ঘটনাত পতিত হয়। দুৰ্ঘটনাটো ইমানেই ভয়াবহ আছিল যে এএন-৳চ বিমানখন এয়াৰষ্ট্ৰীপৰ পৰা বাহিৰত ছিটিকি গৈ দুটুকুৰা হৈ পৰে। লগে লগে প্ৰচণ্ড বিস্ফোৰণ। জুই-ধোঁৱাৰ কুণ্ডলীয়ে আৱৰি ধৰে চৌদিশ। এই দুৰ্ঘটনাত বায়ুসেনাৰ পু বিষয়া-জোৱানে প্ৰাণ হেৰুওৱাৰ বিপৰীতে গুৰুতৰভাৱে আহত হৈছে আন এজন। ভয়ংকৰ দুৰ্ঘটনাটোত কৰুণ মৃত্যুক আঁকোৱালি লোৱাসকল হ'ল-স্কোৱাড্ৰ'ন লীডাৰ প্ৰশান্ত সিং, ফ্লাইট লেফটেনেণ্ট শুভম কুমাৰ, ছাৰ্জেণ্ট জিতেন্দ্ৰ শৰ্মা, অগ্নিবীৰ বায়ু ক্ষেমাৰাম কুমাৱট আৰু অগ্নিবীৰ বায়ু ডেনিছ আলম। তদুপৰি বিমানখনৰ সহকাৰী পাইলট ফ্লাইট লেফটেনেণ্ট মঞ্জু

( দুই পৃষ্ঠাত চাওক)

## আগষ্টৰ পৰা হিতাধিকাৰীয়ে পাব অৰুণোদয়ৰ ধন

ৰঙিলী বাৰ্তাসেৱা- শনিবাৰে লোকসেৱা ভৱনত অনুষ্ঠিত হয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ তৃতীয়খন কেবিনেট বৈঠক। এই বৈঠকত বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেবিনেট বৈঠকৰ অন্তত সংবাদ মাধ্যমক সম্বোধন কৰি কেবিনেটৰ সিদ্ধান্তৰ বিষয়ে অৱগত কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

( তিনিপৃষ্ঠাত চাওক)

# পাৰাগুৱেক পৰাস্ত কৰি ফিফা বিশ্বকাপৰ অভিযান আৰম্ভ আমেৰিকাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ফিফা বিশ্বকাপৰ লছ এঞ্জেলছত অনুষ্ঠিত গ্ৰুপ ডিৰ মেচখনত আমেৰিকাই পাৰাগুৱেক পৰাস্ত কৰি নিজৰ অভিযান আৰম্ভ কৰে। একপক্ষীয় মেচখনত আমেৰিকাই ৪-১ গ'লত জয়লাভ কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। খেলৰ আৰম্ভণিৰ পৰাই ফ'লাৰিন বালোগুন আৰু ক্ৰিষ্টিয়ান পুলিচিচাৰাই বিপক্ষক চাপত ৰাখিবলৈ সক্ষম হৈছিল। নিজৰ মাজত অসংখ্য পাছ খেলি আক্ৰমণ ৰচিছিল। আমেৰিকাৰ হেঁচাৰ সন্মুখত পাৰাগুৱেই থিয় দিব নোৱাৰিলে। খেলখনৰ প্ৰথমাৰ্ধত ৩-০ গ'লত অগ্ৰগতি লাভ কৰি ঘৰুৱা দল আমেৰিকাই মেচখন নিজৰ নিয়ন্ত্ৰণত ৰাখিছিল। আমেৰিকাৰ ষ্ট্ৰাইকাৰৰ হেঁচাত পাৰাগুৱেৰ ডেমিয়েন বোবাডিলাই বলটো নিজৰ গ'লবক্সলৈ ঠেলি দিয়ে। ইয়াৰ পিছতে আমেৰিকান ফুটবলাৰসকলৰ ইটোৰ পিছত সিটো আক্ৰমণত পাৰাগুৱেৰ ডিফেন্স দিশহাৰা হৈ পৰে। ইপিনে, ফ'লাৰিন বালোগুনে ৩১ আৰু প্ৰথমাৰ্ধৰ ইনজুৰি সময়ত পঞ্চম মিনিটত দুটাকৈ গ'ল স্ক'ৰ কৰি আমেৰিকাক ৩-০ গ'লত গুৰুত্বপূৰ্ণ অগ্ৰগতি প্ৰদান কৰে। দ্বিতীয়াৰ্ধত পাৰাগুৱেই গ'ল পৰিশোধ কৰিবলৈ চেষ্টা চলায় আৰু ৭৩ মিনিটত সফলতাৰ মুখ দেখে। মৌৰিচিঅ'ই ৭৩ মিনিটত গ'ল স্ক'ৰ কৰি ব্যৱধান ৩-১লৈ হ্ৰাস কৰে যদিও দ্বিতীয়াৰ্ধৰ ইনজুৰি সময়ৰ অষ্টম মিনিটত আমেৰিকাৰ হৈ জিঅ'ভানি ৰেইনাই গ'ল স্ক'ৰ কৰাত মেচখনত ঘৰুৱা দলটোৱে ৪-১ গ'লত জয়ৰ সোৱাদ লাভ কৰে।

# পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ মেধাৱী ছাত্ৰ-ছাত্ৰীক অভিনন্দন

ৰঙিলী বাৰ্ত্তাসেৱা- পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱাৰ উদ্দেশ্যে বামুন্দী তৰুণ সংঘ আৰু পুথিভঁৰাল প্ৰেক্ষাগৃহত এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। অভিনন্দন অনুষ্ঠানৰ আৰম্ভণিতে সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণ কৰে আঞ্চলিকৰ সভাপতি প্ৰাঞ্জল কলিতা আৰু সাধাৰণ সম্পাদক দিগন্ত নাথে। দিনৰ ১২ বজাৰ পৰা মুকলি আৰু অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। বামুন্দী মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ সমবেত সংগীতেৰে আৰম্ভ হোৱা অভিনন্দন অনুষ্ঠানটো উদ্বোধন কৰি সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি সুৰজিৎ কলিতাই ছাত্ৰ সন্থাই প্ৰতিবছৰে অনুষ্ঠিত কৰি অহা অভিনন্দন অনুষ্ঠানৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে অৱগত কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যালয় সম্পাদক ভৱজ্যোতি ডেকাই ছাত্ৰ-ছাত্ৰীসকলক নিজৰ যি প্ৰতিভা নিষ্ঠা আৰু সততাৰে কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ মহাপ্ৰবন্ধক পংকজ বিকাশ শৰ্মাই কয়- 'যদি এগৰাকী ভাল মানুহ হ'ব বিচৰা তেতিয়াহ'লে মাতৃভাষাৰ উপৰি ইংৰাজী ভাষা ( তিনিপৃষ্ঠাত চাওক)

# যোৱা ১০ বছৰত কেন্দ্ৰই অসমক

৮ লাখ ৭০ হাজাৰ কোটি টকা। যোৱা ১০ বছৰত অসমত জনমূৰি আয় বৃদ্ধি হৈছে। ২০১৩-১৪ বিত্তীয় বৰ্ষত অসমৰ দৰিদ্ৰতাৰ হাৰ আছিল ৩৭ শতাংশ। অৰ্থাৎ ১০০জনৰ ৩৭জন লোকেই দাৰিদ্ৰ্য সীমাৰেখাৰ তলত আছিল। যোৱা ২০২২-২৩ বিত্তীয় বৰ্ষত অসমৰ দৰিদ্ৰতাৰ হাৰ ১৪.৪৭ শতাংশলৈ হ্ৰাস পালে। মুখ্যমন্ত্ৰীয়ে কয়, বিগত ১২ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসমলৈ ৩৬ বাৰ আহিছে। পূৰ্বে কোনো প্ৰধানমন্ত্ৰী অসমলৈ ইমানবাৰ অসমলৈ অহা নাছিল। অসমৰ গামোচা বিশ্ব-বাসীক চিনাকি কৰি দিলে প্ৰধানমন্ত্ৰীয়ে। এতিয়া প্ৰধানমন্ত্ৰীয়ে আৰনাইখন লোৱা আমি দেখা পাঁও। সংবাদ গোষ্ঠীৰ সম্পাদক-সকলৰ সৈতে বাৰ্তালাপ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যখনে কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰা বিত্তীয় সহযোগিতাৰ কথা উল্লেখ কৰি কয়- কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰা এই সমৰ্থনৰ বাবেই অসমৰ জিডিপি নাটকীয়ভাৱে বৃদ্ধি হৈছে। ২০১৫-১৬ত অসমৰ জিডিপি আছিল ২.২৭ লাখ কোটি টকা। ৰাজ্যৰ মুঠ জনমূৰি উৎপাদন চলিত বিত্তীয় বৰ্ষত হ'বগৈ ৮ লাখ ৭০ হাজাৰ কোটি টকা। যোৱা ১০ বছৰত অসমত জনমূৰি আয় বৃদ্ধি হৈছে। ২০১৩-১৪ বিত্তীয় বৰ্ষত অসমৰ দৰিদ্ৰতাৰ হাৰ আছিল ৩৭ শতাংশ। অৰ্থাৎ ১০০জনৰ ৩৭জন লোকেই দাৰিদ্ৰ্য সীমা-ৰেখাৰ তলত আছিল। যোৱা ২০২২-২৩ বিত্তীয় বৰ্ষত অসমৰ দৰিদ্ৰতাৰ হাৰ ১৪.৪৭ শতাংশলৈ হ্ৰাস পালে। অসমত ৮০ লাখ মানুহ দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে। পৰিয়াল হিচাপে ১০ লাখ পৰিয়াল দৰিদ্ৰতা সীমাৰেখাৰ পৰা মুক্ত হৈছে। প্ৰধানমন্ত্ৰী মোদীৰ সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে কয়, অসমৰ বিহু, বাগুৰুম্বা, ঝুমুৰক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ যোৱাত প্ৰধানমন্ত্ৰীয়ে সহায় কৰিছে। কেন্দ্ৰীয় সাহাৰ্য হিচাপে ২০১৬-২৬চনৰ ভিতৰত কেন্দ্ৰই অসমক ৫ লাখ ৫০ হাজাৰ কোটি টকা দিছে। মই যেতিয়া প্ৰথম স্বাস্থ্যমন্ত্ৰী আছিলো তেতিয়া প্ৰতি লাখত ৪৮০ গৰাকী প্ৰসূতিৰ মৃত্যু হৈছিল আৰু আজিৰ তাৰিখত এই সংখ্যা ৮৪ লৈ হ্ৰাস পাইছে। অসম এতিয়া দ্ৰুতগতিত বিকাশৰ পথত আগবাঢ়িছে। উন্নয়নমূলক পদক্ষেপৰ সন্দৰ্ভত তেওঁ কয়, শিলিগুৰিৰ পৰা শিলচৰলৈ নিৰ্মাণ হ'ব কৰিড'ৰ। গুৱাহাটী, তিনিচুকীয়াৰ মাজত হ'ব এক্সপ্ৰেছ কৰিড'ৰ। শিলিগুৰি-শিলচৰ সংযোগী পথ নিৰ্মাণৰ কাম কৰি থকা হৈছে। বাইহাটা চালিআলিৰ পৰা মিছন চাৰিআলিলৈ হ'ব ফ'ৰলেনযুক্ত পথ। শীঘ্ৰেই আৰম্ভ হ'ব চাৰিলেনযুক্ত পথ নিৰ্মাণৰ কাম। শিলচৰ-শ্ৰীৰামপুৰৰ দূৰত্ব ৭ ঘণ্টালৈ হ্ৰাস পাব। অসমত জাগীৰোডৰ পৰা ব্ৰহ্মপুত্ৰ পাৰ হৈ ভুটানলৈ যাব পৰা ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰা হ'ব। ইফালে এই বাৰ্তালাপতে শেহতীয়াকৈ বিজেপিয়ে পশ্চিমবংগত চৰকাৰ গঠনৰ প্ৰসংগত আজি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- অসম চুক্তিৰ সময়ত দাবী হ'ব লাগিছিল যে ৫খন ৰাজ্যতে কাঁটাতাঁৰৰ বেৰ হ'ব লাগে। শিলিগুৰি খোলা থাকিলে মানকাচৰত বেৰ দিলে একো লাভ নহ'ব। ভাৰত-বাংলাদেশৰ সীমা চুই গৈছে ৫খন ৰাজ্যই। ১৯৮৫ চনৰ অসম চুক্তি অনুসৰি অসমত কাঁটাতাঁৰৰ বেৰ হ'ল যদিও পশ্চিমবংগত সীমান্ত খোলা থাকিল। দৰাচলতে '৮৫ৰ চুক্তিখন আহি আহি ২০২৬তহে কাম আৰম্ভ হৈছে। সীমান্ত পৰিসীমাৰ ওপৰত ভাৰতে বহু ডাঙৰ এটা কাম কৰিবলৈ গৈ আছে। আমাৰ দাবী হ'ব লাগিছিল ৫খন ৰাজ্যত কাঁটাতাঁৰ সংযোগ কৰা। অসম চুক্তিৰ পাছতো ত্ৰিপুৰা আৰু মেঘালয়ত বেৰ নাছিল। অসমত কাঁটাতাঁৰৰ বেৰ নিৰ্মাণ হ'ল যদিও পশ্চিমবংগত ৮০০ কিলোমিটাৰ সীমান্তত বেৰ নিৰ্মাণ নহ'ল। '৮৫ৰ পিছত এতিয়াহে সীমান্তত কাঁটাতাঁৰৰ বেৰৰ কাম আৰম্ভ হৈছে। মেঘালয়ত ৭০ শতাংশ কাম চলি আছে আৰু ত্ৰিপুৰাত কাঁটতাঁৰৰ বেৰৰ কাম ৬০ শতাংশ কাম সম্পন্ন হৈছে। মিজোৰাম আৰু পশ্চিমবংগতো কাঁটাতাঁৰৰ বেৰৰ কাম আৰম্ভ হৈছে।

# যোৰহাটৰ ৰবৈয়াত ভাৰতীয় বায়ু

ছাইনী গুৰুতৰভাৱে আহত হয়। সম্প্ৰতি তেওঁ সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে। কি কাৰণত বিমানখন দুৰ্ঘটনাত পতিত হ'ল সেই বিষয়ে বৰ্তমান পৰ্যন্ত বায়ুসেনাৰ তৰফৰ পৰা আনুষ্ঠানিকভাৱে কোনো তথ্য প্ৰকাশ কৰা নাই। ঘটনাৰ বিৱৰণী অনুসৰি এএন-৩২ এয়াৰ ক্ৰাফ্টখনে অৰুণাচল প্ৰদেশৰ মেচিক'ৰ পৰা সামগ্ৰী কঢ়িয়াই সফলতাৰে উৰণ সমাপন কৰি ৰবৈয়াৰ বায়ুসেনাৰ ঘাটিত অৱতৰণ কৰিব বিচাৰিছিল। তেতিয়া সময় হৈছিল পুৱা প্ৰায় ১০ বজা। কিন্তু অৱতৰণ প্ৰক্ৰিয়া সফল নহ'ল। বৰং এক ভয়ংকৰ দুৰ্ঘটনাহে সংঘটিত হয়। দুৰ্ঘটনাটোৰ পিছতে বায়ুসেনাৰ বিমানঘাটিৰ লগতে পাৰ্শ্ববৰ্তী অঞ্চলৰ আকাশ জুই-ধোঁৱাৰ কুণ্ডলীয়ে ছানি ধৰাৰ লগতে প্ৰচণ্ড বিস্ফোৰণে চৌদিশে আতংক-হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি কৰে। ইতিমধ্যে বায়ুসেনাৰ তৰফৰ পৰা দুৰ্ঘটনাটোৰ লগতে উক্ত ৫ বিষয়া-জোৱান নিহত হোৱাৰ কথা সামাজিক মাধ্যমযোগে নিশ্চিত কৰা হৈছে। সামাজিক মাধ্যমযোগে এই সন্দৰ্ভত ভাৰতীয় বায়ুসেনাই দাঙি ধৰা তথ্য এনেধৰণৰ- অসমৰ যোৰহাট বিমানঘাটিত এখন এ এন-৩২ পৰিবহণ বিমান দুৰ্ঘটনাৰ কবলত পৰিছে। বিস্তাৰিত তথ্যৰ বাবে অপেক্ষা কৰা হৈছে। শনিবাৰে পুৱা প্ৰায় ১০ বজাত বিমানখন দুৰ্ঘটনাগ্ৰস্ত হয়। তদুপৰি বায়ুসেনাই এই দুৰ্ঘটনাটো সন্দৰ্ভত ঘোষণা কৰিছে ক'ৰ্ট অৱ এনকুৱেৰী অৰ্থাৎ আভ্যন্তৰীণ তদন্ত। দুৰ্ঘটনাৰ খবৰ পোৱা মাত্ৰকে ইমাৰ্জেঞ্চী ৰেচপন্স টীম-অগ্নিনিৰ্বাপক বাহিনীসহ উদ্ধাৰকাৰী দল ঘটনাস্থলীত উপস্থিত হৈ অভিযান চলায়। ইয়াৰ সমান্তৰালভাৱে বিমানখনৰ ব্লেক বক্সৰো সন্ধান চলোৱা হয়। বায়ুসেনাৰ তৰফৰ পৰা বিমানখনৰ কোনো যান্ত্ৰিক বিজুতি আছিল নেকি সেয়া প্ৰাথমিকভাৱে পৰীক্ষা কৰা হৈছে। উল্লেখ্য যে আইএএফে সামাজিক মাধ্যম এক্সত কয়, আজি যোৰহাটত অৱতৰণ কৰাৰ সময়ত আইএএফ এন-৩২ বিমান এখন দুৰ্ঘটনাত পতিত হয়। দুৰ্ঘটনাৰ কাৰণ নিৰ্ণয় কৰিবলৈ এখন তদন্ত আদালত গঠন কৰা হৈছে। এই ঘটনাৰ পিছতে মন্ত্ৰী ৰাজনাথ সিং-মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাসহ বিভিন্নজনে গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে এক শোকবাৰ্তাত কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে অসমৰ যোৰহাটত এএন-৩২ৰ দুৰ্ঘটনাত ৫জন বায়ুসেনা-কৰ্মীৰ মৃত্যুত মই গভীৰভাৱে মৰ্মাহত। তেওঁলোকে কৰ্তব্য পালনৰ সময়তে সৰ্বোচ্চ আত্মত্যাগ কৰিলে। তেওঁলোকৰ সাহস আৰু দেশৰ প্ৰতি কৰা সেৱাৰ কথা সদায়ে গৰ্ব আৰু কৃতজ্ঞতাৰে স্মৰণ কৰা হ'ব। শোকসন্তপ্ত পৰিয়ালসকললৈ মই মোৰ আন্তৰিক সমবেদনা জ্ঞাপন কৰিলোঁ। শোকৰ এই মুহূৰ্তত দেশ তেওঁলোকৰ কাষত থিয় হৈ আছে। ইফালে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো সামাজিক মাধ্যমযোগে কয় যে ভাৰতীয় বায়ুসেনাৰ এএন-৩২ বিমানখন যোৰহাটত দুৰ্ঘটনাত পতিত হোৱাৰ খবৰে অতি ব্যথিত কৰি তুলিছে। বিমানখনত থকা দেশৰ ৫জন সাহসী বায়ুসেনা জোৱানৰ অকাল বিয়োগৰ খবৰটোৱে গভীৰভাৱে মৰ্মাহত কৰি তুলিলে। মাতৃভূমিৰ সেৱাত আত্মনিয়োগ কৰি স্কোৱাড্ৰ'ন লীডাৰ প্ৰশান্ত সিং, ফ্লাইট লেফটেনেণ্ট শুভম কুমাৰ, ছাৰ্জেণ্ট জিতেন্দ্ৰ শৰ্মা, অগ্নিবীৰ বায়ু ক্ষেমাৰাম কুমাৰৰ্ট আৰু অগ্নিবীৰ বায়ু ডেনিছ আলমে দেশৰ বাবে যি সৰ্বোচ্চত্যাগ আগবঢ়াই গ'ল সেয়া ভাৰতবৰ্ষই চিৰদিন মনত ৰাখিব। এই অপূৰণীয় ক্ষতিৰ মুহূৰ্তত শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ মোৰ আন্তৰিক সমবেদনা জ্ঞাপন কৰিছোঁ। অসমবাসীৰ হৈ এই বীৰ সন্তানসকলক গভীৰ শ্ৰদ্ধাঞ্জলি জনাইছোঁ। গভীৰ শোকৰ সময়ত অসম চৰকাৰ আৰু অসমবাসী প্ৰতিজন বীৰ জোৱানৰ পৰিয়ালৰ কাষত আছে, সদায় থাকিব। তেওঁলোকৰ ত্যাগ আৰু দেশপ্ৰেম চিৰদিন অম্লান হৈ থাকিব।

# পথৰ দাঁতিৰ গছ বাগৰি কলেজীয়া ছাত্ৰীৰ মৃত্যু



ৰঙিলী বাৰ্ত্তাসেৱা- শুকুৰবাৰে মহানগৰীৰ মালিগাঁৱৰ কালীপুৰত সংঘটিত হৈ এক শোকাবহ ঘটনা। পৰীক্ষা দিবলৈ যোৱা শিক্ষাৰ্থীৰ বাহনত বাগৰি পৰিল প্ৰকাণ্ড গছ। ফলত এই শোকাৱহ ঘটনাত সোণাৰিৰ এগৰাকী ছাত্ৰীৰ থিতাতে মৃত্যু হয়। মৃত ছাত্ৰীগৰাকী চৰাইদেউ জিলাৰ সোণাৰিৰ শান্তিপুৰৰ মাখন হাজৰিকাৰ একমাত্ৰ কন্যা সন্তান পৰিস্মিতা হাজৰিকা। উল্লেখ্য যে পাণ্ডু মহাবিদ্যালয়ত থকা ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয় চমুকৈ ইগন'ৰ কেন্দ্ৰত অনুষ্ঠিত পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ সহপাঠী জ্যোতিৰ্ময় মহনৰ সৈতে এএছ ০১ বিএন ৫২৩২ নম্বৰৰ স্কুটীখনেৰে পৰীক্ষা কেন্দ্ৰলৈ ৰাওনা হৈছিল পৰিস্মিতা হাজৰিকা। কিন্তু পৰীক্ষা কেন্দ্ৰৰ পৰা কিছু দূৰ থকা অৱস্থাত কালীপুৰৰ পদপথৰ সমীপত থকা এজোপা প্ৰকাণ্ড আহত গছ হঠাতে তেওঁলোককে গৈ থকা স্কুটাখনৰ ওপৰতে বাগৰি পৰে। ঘটনাটোত লগে ( নপৃষ্ঠাত চাওক)

# এআইৰ দ্বাৰা ৭৫ ছাত্ৰী-শিক্ষয়িত্ৰীৰ অশ্লীল ফটো প্ৰস্তুত ছাত্ৰৰ

ৰঙিলী বাৰ্ত্তাসেৱা-মহানগৰীত ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত ভয়ংকৰ কাণ্ড। গুৱাহাটী মহানগৰীৰ দুখনকৈ অভিজাত শিক্ষানুষ্ঠানৰ কেইবাগৰাকী ছাত্ৰই তথ্য-প্ৰযুক্তিৰ উন্নত আৰু অতি সংবেদনশীল এআই প্ৰযুক্তি ব্যৱহাৰ কৰি প্ৰস্তুত কৰিলে নিজ বিদ্যালয়ৰে ছাত্ৰী তথা শিক্ষাগুৰু শিক্ষয়িত্ৰীৰ অশ্লীল ফটো। শিক্ষয়িত্ৰী আৰু ছাত্ৰীৰ অশ্লীল ফটো প্ৰস্তুত কৰি ফটোসমূহ বিক্ৰী কৰাৰ অভিযোগ উঠিছে। ঘটনাৰ তথ্য অনুসৰি মহানগৰীৰ দুখন অভিজাত বিদ্যালয় ক্ৰমে নাৰেংগীৰ ছেইন্ট ফ্ৰেন্সিছ ডি চেলছ স্কুল আৰু মহানগৰীৰ ডিপিএছ স্কুলৰ কেইবাগৰাকী ছাত্ৰই সেই বিদ্যালয় দুখনৰে একাংশ ছাত্ৰীৰ ফটো এ আই প্ৰযুক্তিৰ জৰিয়তে অশ্লীল ফটো তৈয়াৰ কৰি সামাজিক মাধ্যমত প্ৰকাশ কৰে আৰু এই ঘটনাই ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। জানিব পৰা মতে, দুয়োখন বিদ্যালয়ৰ কেইগৰাকীমান ছাত্ৰই বিদ্যালয়খনৰ ৬৪ গৰাকী ছাত্ৰীৰ লগতে ১১গৰাকী শিক্ষয়িত্ৰীৰ ফটো এআইৰ ( নপৃষ্ঠাত চাওক)

# পশ্চিম বংশৰ আঞ্চলিক

জনাটো দৰকাৰ।' তেওঁ নিজৰ পঢ়া জীৱনৰ বিষয়ে উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলক ভাল চাকৰি কৰিবলৈ হ'লে কাৰিকৰী বিষয়ৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। অনুষ্ঠানত সাংস্কৃতিক আলোচনী দাপোণৰ মুখ্য সম্পাদক দিনমণি ভাণ্ডাৰ কায়স্থই কয় যে এই পৃথিৱীৰ মানুহেই যিমান নকৰক কিয়, আৰ্থিক, শিক্ষিত, জ্ঞান অথবা সমাজত প্ৰতিষ্ঠিত নহওক কিয় সকলোৰে উদ্দেশ্য এটাই সেয়া হ'ল সুখী হৈ থকাতো। গতিকে, ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত সমাজৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিব। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক আধ্যাত্মিক, সামাজিক, শাৰীৰিক আৰু বৌদ্ধিকভাৱে সমাজখনক আগুৱাই নিবলৈ আহ্বান জনায়। অনুষ্ঠানটোত হাজো ৰাজহ চক্ৰ বিষয়া নিতুল খাটনিয়াৰে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয় যে আজি যিসকল ছাত্ৰ-ছাত্ৰীয়ে অভিনন্দন হিচাপে দিয়া গামোচাখন সৰু বস্তু নহয়। এই হ'ল অসমীয়াৰ স্বাভিমান, সন্মানৰ প্ৰতীক। গতিকে, গামোচাখনৰ সন্মান যাতে বজাই ৰাখে তাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনায়। অনুষ্ঠানত সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি নৱজ্যোতি দাস, সাধাৰণ সম্পাদক তৌফিকুৰ ৰহমান, ছাত্ৰনেতা তপন দাস, কবুল কলিতা, জিলা উন্নতি সভাৰ উপ-সভাপতি সঞ্জীৱ কলিতা উপস্থিত থকা অভিনন্দন অনুষ্ঠানটোত পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ অধীনৰ বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ৪৩গৰাকী কীৰ্তিমানক অভিনন্দন জনোৱাৰ লগতে বিদ্যালয় প্ৰধানসকলোকো অভিনন্দন জনোৱা হয়।

# তেজপুৰৰ জিআই টেগযুক্ত সুস্বাদ্য লিচু ছিংগাপুৰলৈ ৰপ্তানি




ৰঙিলী বাৰ্ত্তাসেৱা- বিশ্বখ্যাত সুস্বাদ্য তেজপুৰৰ লিচু ৰপ্তানি কৰা হৈছে ছিংগাপুৰলৈ । অসমৰ চহকী উদ্যান শস্যক বিশ্বৰ বজাৰত প্ৰতিষ্ঠা কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে শুকুৰবাৰে সন্ধিয়া মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানকোঠৰ পৰা ভৌগোলিক পৰিচিতি শজি আইগ্ন টেগযুক্ত তেজপুৰৰ লিচুৰ আন্তঃৰাষ্ট্ৰীয় ৰপ্তানি সামগ্ৰী প্ৰেৰণৰ আনুষ্ঠানিকভাৱে ফ্লেগ অফ কৰি শুভাৰম্ভ কৰে। ৫০০ কিলোগ্ৰাম লিচু ছিংগাপুৰলৈ প্ৰেৰণ কৰা হৈছে । শেহতীয়াকৈ ডুবাইৰ পাছত ছিংগাপুৰলৈ অসমৰ তেজপুৰৰ জিআই টেগপ্ৰাপ্ত লিচু ৰপ্তানিৰ শুকুৰবাৰে আনুষ্ঠানিকভাৱে শুভাৰম্ভণি কৰা হয় । উল্লেখ্য যে সুপৰিচিত 'পিয়াজী' প্ৰজাতিৰ ৫০০ কিল'গ্ৰাম লিচু ছিংগাপুৰলৈ ৰপ্তানিৰ এই ব্যৱস্থাই অসমৰ কৃষক সমাজৰ বাবে এক নতুন দিগন্তৰ সূচনা কৰিছে। শেহতীয়াকৈ অসমৰ এই জি আই টেগযুক্ত লিচু ডুবাইলৈ সফলতাৰে ৰপ্তানি কৰাৰ পিছত ছিংগাপুৰৰ এই নতুন বজাৰে ৰাজ্যখনৰ উচ্চ মানৰ ( চাৰিপৃষ্ঠাত চাওক)

# জুবিনৰ চৰিত্ৰ হননকাৰীক সমালোচনা পত্নী গৰিমা গাৰ্গৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ হত্যাৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া ফাষ্টট্ৰেক আদালতত চলি আছে । ২৬ মে'ত চাৰ্জফ্ৰেম দাখিল কৰাৰ পাছতেই ফাষ্টট্ৰেক আদালতত ৮ জুনৰ পৰা বিচাৰ প্ৰক্ৰিয়া অধিক ক্ষিপ্ৰতাৰে আগবাঢ়িছে। আদালতত দৈনিক সাক্ষ্যদান প্ৰক্ৰিয়া চলি আছে । শুকুৰবাৰে উত্তৰাধিকাৰ প্ৰমাণপত্ৰ সম্পৰ্কীয় বিষয়ৰ বাবে আদালতত উপস্থিত হয় জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গ। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অকাল বিয়োগৰ পিছতো একাংশই চৰিত্ৰ হননক লৈ চলোৱা অপচেষ্টাৰ বিৰুদ্ধে গৰজি উঠিছে শিল্পীপত্নী গৰিমা শইকীয়া গাৰ্গ। আদালতত উপস্থিত হৈ প্ৰাণৰ শিল্পীৰ চৰিত্ৰহননৰ অপচেষ্টা কৰাসকলক উদ্দেশ্যি গৰিমা শইকীয়া গাৰ্গে কয়, যদি জুবিনে সুৰাৰ ৰাগিত মাতাল হৈ থাকিলহেঁতেন, তেন্তে ৫২ বছৰীয়া জীৱনত ৪০ হাজাৰ গীত গাব নোৱাৰিলেহেঁতেন। শিল্পীগৰাকীৰ অবৰ্তমানত একাংশ লোকৰ মানসিকতাক প্ৰত্যক্ষ কৰি আৱেগিক হৈ পৰা গৰিমাই কয় ( দহ পৃষ্ঠাত চাওক)

# সূৰ্য-চন্দ্ৰ থকালৈকে অসমীয়া

মিচিং ভাষা চলিব আৰু এখন বাগিচাৰ ফুলৰ দৰে সকলো ধৰণৰ ভাষা চলি থাকিব। লোকপিয়লত অসমীয়া ভাষা নিলিখিলে সংখ্যালঘু হ'ব বুলি শংকাৰ কোনো প্ৰয়োজন নাই। কোনোবাই অসমীয়া ভাষা নক'লেই, তাৰ পৰা আমাৰ ক্ষতি নহয়। আইনত নাই যে লোকপিয়লত নিৰ্দিষ্ট শতাংশই অসমীয়া ভাষা নক'লে অসমীয়া ভাষা নোহোৱা হৈ যাব। এয়া হ'ল তুষ্টিকৰণৰ একো একোটা ৰাস্তা। মুখ্যমন্ত্ৰীয়ে কয়- নিশ্চয়কৈ মই ভাল পাম যে অসমীয়া ভাষা লিখক, ঘৰত অসমীয়া ভাষা কওক। যদি ঘৰত অসমীয়া ভাষা নকয়, তেন্তে লোকপিয়লত অসমীয়া ভাষা লিখি লাভ নাই। অসমীয়াক দুৰ্বল বুলি ভাবি এক নতুন ব্ৰেকমেইলিঙৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। আমি দুৰ্বল নহয়, আমাৰ লগত জনজাতীয় লোকসকল আছে, চাহ জনগোষ্ঠী আছে। অসমক যদি ভাল পায়, তেওঁলোকে লোকপিয়লত অসমীয়া ভাষা লিখিব। লোকপিয়লত অসমীয়া লিখি একাংশই বাংলাদেশী নহয় বুলি স্বীকৃতি ল'ব খুজিছে। সেয়া কেতিয়াও হ'ব নোৱাৰে। একাংশ বুদ্ধিজীৱীয়ে এইধৰণৰ কথা-বাৰ্তাবিলাক উত্থাপন কৰি আমাক ডাইভাৰ্ট কৰিবলৈ চেষ্টা কৰে। চৰ-চাপৰিৰ ওপৰত অসমীয়া ভাষা জীয়াই নাথাকে। চৰ-চাপৰি পৰিষদে কি ভাষা লিখে, সেয়া আমাক জনাব নালাগে। চৰ-চাপৰি পৰিষদে অসমীয়া ভাষা লিখিলেও মই ধন্যবাদ নিদিওঁ। মূল কথা হ'ল অসমীয়াক কোনেও দুৰ্বল বুলি ভাবিব নালাগে। ভয়তে বহুতে লোকপিয়লত অসমীয়া লিখিব। আমি ভয় কৰোঁ বুলি ভাবিব নালাগে। অসমীয়াক ভয় কৰিয়েই তেওঁলোকে লোকপিয়লত অসমীয়া লিখিবই। বুদ্ধিজীৱীসকলে এইবিলাক কথা কৈ আমাৰ মাইণ্ড ডাইভাৰ্ট কৰিব নোৱাৰে। আমাৰ ইছু- লাভ জেহাদ। অসমীয়া ভাষা ক'ম বুলি ক'লেই নহ'ব। লগত লাভ জেহাদ বন্ধ হ'ব লাগিব, বাল্যবিবাহ বন্ধ হ'ব লাগিব, সন্তান দুটাতকৈ বেছি জন্ম হ'ব নোৱাৰিব। এই তালিকা বহুত দীঘলীয়া।

# আগষ্টৰ পৰা হিতাধিকাৰীয়ে


মুখ্যমন্ত্ৰীয়ে কয় যে বাজেট অধিবেশন সন্দৰ্ভত শনিবাৰৰ কেবিনেটত গ্ৰহণ কৰা হয় গুৰুত্বপূৰ্ণ সিদ্ধান্ত। বাজেটৰ অভাৱত বন্ধ হৈ থকা অসমৰ জনকল্যাণ আঁচনিসমূহ ১ আগষ্টৰ পৰা নিয়মীয়াকৈ লাভ কৰিব হিতাধিকাৰীয়ে। মুখ্যমন্ত্ৰী ড° শৰ্মাই সংবাদ মাধ্যমৰ আগত কয়- ৬ জুলাইৰ পৰা অনুষ্ঠিত হ'বলগা বাজেট অধিৱেশনৰ পাছত অহা ১ আগষ্টৰ পৰা চৰকাৰৰ জনকল্যাণমূলক আঁচনিসমূহ আৰম্ভ হ'ব। আনহাতে ১ আগষ্টৰ পৰা নিয়মীয়াকৈ হিতাধিকাৰীয়ে লাভ কৰিব অৰুণোদয়ৰ ধন। কেৱল মাজে মাজে পৰীক্ষণ চলি থাকিব। অৰুণোদয় আঁচনি লাভ কৰি থকা মহিলাসকলে নতুনকৈ একো কৰিবলগীয়া নাই। আগষ্টৰ পৰা পূৰ্বৰ একাউণ্টতে নিয়মীয়াকৈ লাভ কৰিব অৰুণোদয় আঁচনিৰ ধন।

# অসম-নাগালেণ্ডৰ মাজত ত্ৰিপাক্ষিক চুক্তি স্বাক্ষৰ



ৰঙিলী বাৰ্তাসেৱা- নতুন দিল্লীত অসম-নাগালেণ্ড সীমান্তবৰ্তী অঞ্চলত খনিজ তেল আৰু প্ৰাকৃতিক গেছৰ অন্বেষণ তথা উৎপাদন পুনৰ আৰম্ভ কৰাৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু নাগালেণ্ড চৰকাৰৰ মাজত এখন ত্ৰিপাক্ষিক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, কেন্দ্ৰীয় পেট্ৰলিয়াম মন্ত্ৰী হৰদীপ সিং পুৰী, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিউ ৰিঅ', কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহন আৰু দুয়োখন ৰাজ্যৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিতত শক্তি অনুসন্ধান আৰু নিষ্কাশনৰ ত্ৰিপাক্ষিক চুক্তি স্বাক্ষৰিত হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে অৱগত কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰা মতে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পথ প্ৰদৰ্শনত আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী (দহ পৃষ্ঠাত চাওক)

# ৰাজ্যৰ পাঁচগৰাকী শিল্পীলৈ সংগীত নাটক অকাডেমী বঁটা




ৰঙিলী বাৰ্তাসেৱা- ঘোষণা হ'ল ২০২৪-২৫ বৰ্ষৰ সংগীত নাটক অকাডেমী বঁটা। বুধবাৰে সংগীত নাটক অকাডেমীয়ে পৰিবেশন কলাৰ ক্ষেত্ৰৰ সাতগৰাকী বিশিষ্ট ব্যক্তিক একাডেমী ফেল'শ্বিপ (অকাডেমী ৰত্ন) হিচাপে নিৰ্বাচিত কৰে। লগতে ২০২৪-২৫ বৰ্ষৰ সংগীত, নৃত্য আৰু অন্যান্য পৰিবেশন কলাৰ ক্ষেত্ৰৰ ১০৮ গৰাকী শিল্পীলৈ বঁটা ঘোষণা কৰে। সংগীত নাটক অকাডেমীৰ সাধাৰণ পৰিষদে ১০৬ গৰাকী যুব শিল্পীক ২০২৪ আৰু ২০২৫ বৰ্ষৰ উস্তাদ বিছমিল্লাহ খান যুৱ পুৰস্কাৰৰ বাবে নিৰ্বাচিত কৰিছে। এই বঁটাসমূহ সংগীত নাটক অকাডেমীৰ অধ্যক্ষই বিশেষ অনুষ্ঠানত প্ৰদান কৰিব। ১৯৫২ চনৰ পৰা সংগীত নাটক অকাডেমী বঁটা প্ৰদান কৰা হয়। এইবাৰ অভিনয় আৰু সত্ৰীয়া নৃত্যৰ লগতে ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ সৈতে জড়িত ৫গৰাকী বিশিষ্ট শিল্পীয়ে সংগীত নাটক একাডেমী বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। তদুপৰি এইবাৰ ৰাজ্যখনৰ (দহ পৃষ্ঠাত চাওক)

# পলাশবাৰীৰ চাপাঠুৰীত ভয়ংকৰ ভূমি কেন্দ্ৰিক সংঘাত



ৰঙিলী বাৰ্তাসেৱা- পলাশবাৰী সমষ্টিৰ চাপাঠুৰী গাঁৱত আজি এক ভয়ংকৰ আৰু ৰক্তাক্ত ভূমিকেন্দ্ৰিক সংঘাতৰ ঘটনা সংঘটিত হয়। মাটিৰ বিবাদক কেন্দ্ৰ কৰি একাংশ দুষ্কৃতিকাৰীয়ে চলোৱা বৰ্বৰ আক্ৰমণত এজন যুৱক আৰু তেওঁৰ মাতৃ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত (GMCH) জীৱন-মৃত্যুৰে যুঁজি লগা হৈছে। এই চাঞ্চল্যকৰ ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত তীব্ৰ উত্তেজনা আৰু ক্ষোভৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য মতে, চাপাঠুৰী গাঁৱৰ ৯২ নং পাট্টাৰ ১৩৪ নং দাগৰ এটা ভূমিখণ্ডক লৈ দীৰ্ঘদিনৰে পৰা বিবাদ চলি আছিল। শুক্ৰবাৰে পুৱা প্ৰায় ১০ বজাত ভুক্তভোগী প্ৰণৱ কলিতা নামৰ যুৱকজনে উক্ত নিজা মাটিত হাল বাই থকা অৱস্থাতে মকাধুজ গাঁৱৰ শৰৎ কুমাৰৰ নেতৃত্বত অহা প্ৰায় ১০ জনীয়া এটা সশস্ত্ৰ দলে পিছফালৰ পৰা আক্ৰমণ চলায়। আক্ৰমণকাৰী দলটোৱে চোকা অস্ত্ৰৰে প্ৰণৱ কলিতাৰ পিঠিত উপৰ্যুপৰি আঘাত কৰি মাটিত বগৰাই দিয়ে। পুত্ৰক ৰক্ষা কৰিবলৈ থিতাতে দৌৰি অহা মাতৃ বৰোডা কলিতাকো দুষ্কৃতিকাৰীৰ দলটোৱে ৰেহাই নিদিলে। তেওঁলোকে বৃদ্ধা মাতৃগৰাকীকো গুৰুলাগুৰুলকৈ প্ৰহাৰ কৰি গুৰুতৰভাৱে আহত কৰে। তেজৰে লুতুৰি-পুতুৰি হৈ পৰা মাতৃ-পুত্ৰক স্থানীয় ৰাইজৰ সহযোগত সংকটজনক অৱস্থাত উদ্ধাৰ কৰি তৎকালীনভাৱে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয়। বৰ্তমান হাস্পতালত মাতৃ বৰোডা কলিতাৰ অৱস্থা অত্যন্ত সংকটজনক বুলি জানিব পৰা গৈছে। এই পাশৱিক কাণ্ডৰ পিছতেই সমগ্ৰ পলাশবাৰী অঞ্চলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। দিন-দুপৰতে এনেদৰে চোকা অস্ত্ৰৰে প্ৰাণনাশৰ চেষ্টা চলোৱা এই গুণ্ডাগিৰিক স্থানীয় ৰাইজে ধিক্কাৰ জনাইছে। ঘটনা সন্দৰ্ভত ভুক্তভোগী পৰিয়ালৰ তৰফৰ পৰা বিজয়নগৰ আৰক্ষী চকীত শৰৎ কুমাৰসহ ১০ জনীয়া আক্ৰমণকাৰী ফৈদটোৰ বিৰুদ্ধে এক এজাহাৰ দাখিল কৰা হৈছে। ভূমিকেন্দ্ৰিক সংঘাতৰ নামত আইন হাতত তুলি লোৱা এই হত্যা কৰিবলৈ চেষ্টা চলোৱা দলটোক আৰক্ষীয়ে কিয় এতিয়ালৈকে গ্ৰেপ্তাৰ কৰিব পৰা নাই, তাক লৈ ৰাইজৰ মাজত প্ৰশ্ন উত্থাপন হৈছে। ভুক্তভোগী পৰিয়ালে আৰক্ষী প্ৰশাসনক এই বৰ্বৰ কাণ্ডৰ এক নিৰপেক্ষ আৰু উচিত তদন্ত কৰি দোষীসকলক অতি শীঘ্ৰে কৰায়ত্ত কৰিবলৈ আৰু দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ তীব্ৰ দাবী জনাইছে। অন্যথা অনাগত দিনত পৰিস্থিতি অধিক উত্তপ্ত হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে।

# প্ৰধানমন্ত্ৰী মোদীৰ অধ্যক্ষতাত নতুন দিল্লীত নিটি আয়োগৰ বৈঠক




ৰঙিলী বাৰ্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত বৃহস্পতিবাৰে নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত হয় নিটি আয়োগৰ একাদশ পৰিচালনা পৰিষদৰ বৈঠক। এই বৈঠকত "বিকশিত ভাৰত @২০৪৭ৰ বাবে সৰ্বাংগীন মানৱ উন্নয়ন" শীৰ্ষক বিষয়বস্তুৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ৰাজ্যসমূহৰ মাজত পাৰস্পৰিক সহযোগিতা, আলোচনা আৰু নীতি-আদৰ্শৰ আদান-প্ৰদানে দেশৰ যুক্তৰাষ্ট্ৰ ব্যৱস্থাক শক্তিশালী কৰিব বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে নিটি আয়োগ কেৱল এটা প্ৰতিষ্ঠান নহয়, ই হৈছে ৰাজ্যসমূহৰ মাজত সমন্বয়ৰক্ষাৰ এক সক্ৰিয় মঞ্চ। এই মঞ্চৰ জৰিয়তে সকলো ৰাজ্যই (দহ পৃষ্ঠাত চাওক)

# তেজপুৰৰ জিআই

কৃষি সামগ্ৰীৰ ক্ৰমবৰ্ধমান আন্তঃৰাষ্ট্ৰীয় চাহিদাকে প্ৰতিফলন কৰিছে। ৰাজ্য চৰকাৰে বজাৰ সংযোগ, মূল্য শৃংখল তথা ৰপ্তানি ব্যৱস্থাপনাক শক্তিশালী কৰাৰ বাবে চলোৱা নিৰন্তৰ প্ৰচেষ্টাৰ এয়া এক অন্যতম বৃহৎ সাফল্য। এই কাৰ্যসূচীৰ অন্তত উপস্থিত সংবাদ মাধ্যমৰ প্ৰতিনিধিসকলৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়-যোৱা কেইটামান বছৰত তেজপুৰৰ লিচুৱে এখন আন্তৰ্জাতিক বজাৰ লাভ কৰিবলৈ সক্ষম হৈছে। কেইদিনমান আগতে কৃষি আৰু সংসাধিত খাদ্য সামগ্ৰী ৰপ্তানি উন্নয়ন প্ৰাধিকৰণ, চমুকৈ 'এপেডা'ৰ জৰিয়তে ডুবাইলৈ ১, ০০০ কিলোগ্ৰাম লিচু ৰপ্তানি কৰা হৈছিল। আজি ছিংগাপুৰলৈ ৫০০ কিলোগ্ৰাম লিচু ৰপ্তানি কৰাৰ ব্যৱস্থা কৰা হৈছে, কাইলৈ পুৱা ভূটানৰ পৰা গুৱাহাটী হৈ ছিংগাপুৰলৈ যোৱা ড্ৰুক এয়াৰৱেজৰ বিমানেৰে প্ৰেৰণ কৰা হ'ব। ছিংগাপুৰৰ উচ্চায়ুক্তই ইতিমধ্যে ৫০০ কিলোগ্ৰামৰ উপৰি আৰু ৫০০ কিলোগ্ৰাম লিচু বিচাৰিছে। লিচু, কাজি নেমু বা ভোটজলকীয়াৰ দৰে আমাৰ যিখিনি গুৰুত্বপূৰ্ণ কৃষি সামগ্ৰী আছে, সেইসমূহৰ ক্ষেত্ৰত যদি সঠিক প্ৰচেষ্টা গ্ৰহণ কৰা হয়, তেন্তে কঁঠাললৈকে সকলো সামগ্ৰী ভাৰতৰ বাহিৰলৈ ৰপ্তানি কৰাৰ সুযোগ ৰাজ্যখনৰ আছে। অৱশ্যে ৰপ্তানিৰ ক্ষেত্ৰত কৃষিত প্ৰয়োগ কৰা সাৰৰ এক নিৰ্দিষ্ট মান তথা প্ৰেৰণ কৰা আৰ্হিৰ সৈতে চূড়ান্ত সামগ্ৰীৰ মিল থকাটো অনিবাৰ্য। আদাৰ ক্ষেত্ৰতো অসমে যথেষ্ট ভাল কাম কৰিব পাৰে। অহা বছৰ যাতে আৰু অধিক সামগ্ৰী বিদেশলৈ পঠিয়াব পৰা যায়, তাৰ বাবে চৰকাৰে বিশেষ প্ৰচেষ্টা হাতত ল'ব। তেজপুৰৰ লিচু উৎপাদনৰ সীমাবদ্ধতাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়- বৰ্তমান মাথোঁ প্ৰায় ৩, ০০০ জোপা গছৰ পৰাহে এই লিচু উৎপন্ন হয়। যিহেতু এই লিচু অসম আৰু ভাৰতৰ বিভিন্ন প্ৰান্তত যথেষ্ট পৰিমাণে বিক্ৰী হয়, সেয়েহে চাহিদা থকা সত্ত্বেও এইবাৰ ইয়াতকৈ অধিক লিচু পঠিয়াব পৰা নগ'ল। শেহতীয়াকৈ তেওঁ দেশৰ প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰীসকললৈ এই লিচু পঠিয়াইছিল আৰু দিল্লীত সকলোৱে তেজপুৰৰ লিচুৰ ভূয়সী প্ৰশংসা কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে যে এই ৰপ্তানি কাৰ্যসূচীয়ে অসমৰ কৃষকসকলক বাৰুকৈয়ে অনুপ্ৰাণিত কৰিব আৰু অহা বছৰকেইটাত লিচুৰ উৎপাদন বৃদ্ধি কৰাৰ বাবে চৰকাৰে কৃষকসকলক উৎসাহিত কৰিব। তেওঁ কয় যে কৃষকসকলৰ বাবে নতুন বিশ্বজনীন সুযোগ সৃষ্টি কৰি তেওঁলোকৰ আয় দুগুণ কৰিবলৈ আৰু অসমৰ সৰ্বোত্তম কৃষি সামগ্ৰী বিশ্বৰ দৰবাৰত প্ৰদৰ্শন কৰিবলৈ অসম চৰকাৰে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিব। অনুষ্ঠানত কৃষিমন্ত্ৰী পীযূষ হাজৰিকা, কৃষি বিভাগৰ আয়ুক্ত-সচিব অৰুণা ৰাজোৰিয়া, সঞ্চালক ৰাতুল চন্দ্ৰ পাঠকৰ লগতে কেইবাজনো শীৰ্ষ বিষয়া উপস্থিত থাকে।

# ৰাজ্যত পুনৰ আৰম্ভ হ'ব শিক্ষকৰ নিযুক্তি প্ৰক্ৰিয়া



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যত পুনৰ আৰম্ভ হ'ব শিক্ষক নিযুক্তি প্ৰক্ৰিয়া।কম সময়ৰ ভিতৰতে এই সন্দৰ্ভত প্ৰকাশ পাব শিক্ষক নিযুক্তিৰ বিজ্ঞাপন। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই কথা ঘোষণা কৰে । শিক্ষা বিভাগৰ দায়িত্ব লাভৰ পাছতে যোৱা সময়ছোৱাত বিভাগটোৰ কেইবাখনো পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰা শিক্ষামন্ত্ৰীগৰাকীয়ে নিযুক্তিৰ প্ৰসংগত বুধবাৰে সংবাদ মাধ্যমৰ আগত কয়- ইতিমধ্যে শিক্ষকৰ কিমানটা পদ খালী আছে সেই তথ্য শিক্ষাসেতুৰ ডাটাৰ পৰা লাভ কৰা হৈছে। খালী পদসমূহ ( নপৃষ্ঠাত চাওক)

# ৰাজ্যৰ চাহ বাগিচা অঞ্চলৰ ছাত্ৰ ছাত্ৰীৰ বাবে বিনামূলীয়া পৰিবহণ সুবিধা

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ চাহ বাগিচাৰ বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ বাবে আহিল ভাল খবৰ। অসম চৰকাৰে আৰম্ভ কৰিছে এক নতুন অভিলাষী আঁচনি। এই আঁচনিৰ দ্বাৰা চাহ বাগিচাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিনামূলীয়া পৰিবহণৰ ব্যৱস্থা কৰি দিব চৰকাৰে। অসমৰ মুঠ ৰৰ খন জিলাত ৰূপায়ণ হ'ব এই ব্যবস্থা। বুধবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই আঁচনিৰ কথা উল্লেখ কৰি কয় যে ১০ জুনৰ পৰা আৰম্ভ হোৱা এই সুবিধা ২০২৭ চনৰ ৩১ মাৰ্চলৈকে অব্যাহত থাকিব। ইয়াৰ জৰিয়তে উপকৃত হ'ব ৯, ৭১৪ গৰাকী শিক্ষাৰ্থী। মুখ্যমন্ত্ৰী ড° শৰ্মাই সামাজিক মাধ্যমযোগে চাহ বাগিচাৰ শিক্ষাৰ্থীৰ বাবে বিনামূলীয়া পৰিবহণ ব্যৱস্থাৰ কথা উল্লেখ কৰাৰ পাছতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও বিষয়টো সামাজিক মাধ্যমযোগে উল্লেখ কৰিছে। সেই অনুসৰি পৰিবহণৰ এই ব্যৱস্থা বিদ্যালয় পৰিচালনা সমিতিৰ জৰিয়তে স্থানীয় পৰ্যায়ত পৰিবহণৰ যোগাৰ কৰা হ'ব। প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষাবৰ্ষটোত ৫, ৪০০ টকাৰ আৰ্থিক সহায় হ'ব। ১১খন জিলাক সামৰি ৰূপায়ণ কৰা এই আঁচনিৰ জৰিয়তে ১৯৮খন বিদ্যালয়ক সাঙুৰি লোৱা হৈছে। এই প্ৰসংগত সংবাদ মাধ্যমৰ আগত শিক্ষামন্ত্ৰী ডাঃ পেগুৱে কয়- শিক্ষা বিভাগে বিদ্যালয় একত্ৰীকৰণৰ সময়ত প্ৰত্যক্ষ কৰিছিল যে বহু বিদ্যালয় ( নপৃষ্ঠাত চাওক)

# গড়চুকত গৰুভৰ্তি বাহন জব্দ

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যত অবৈধভাৱে গো-ধন সৰবৰাহৰ ঘটনা অব্যাহত আছে। এইবাৰ গুৱাহাটীৰ গড়চুক আৰক্ষীয়ে চলোৱা অভিযানত গৰুভৰ্তি এখন ট্ৰাক জব্দ কৰাৰ লগতে দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ সূত্ৰে জনোৱা মতে, বৰপেটাৰ পৰা মেঘালয়লৈ অবৈধভাৱে গৰু সৰবৰাহ কৰাৰ গোপন তথ্যৰ ভিত্তিত গড়চুক আৰক্ষীয়ে অভিযান চলাই এএছ-১৫ এচি-৯২০২ নম্বৰৰ এখন ট্ৰাক জব্দ কৰে। তালাচীৰ সময়ত ট্ৰাকখনত ২৩টা গৰু কঢ়িয়াই নিয়াৰ তথ্য পোহৰলৈ আহে। উল্লেখ্য যে পূৰ্বৰ দৰে নিশাৰ আন্ধাৰৰ সুযোগ লোৱাৰ পৰিৱৰ্তে এইবাৰ দিনৰ ভাগতেই ৰাষ্ট্ৰীয় ঘাইপথেৰে গৰুসমূহ সৰবৰাহৰ চেষ্টা চলাইছিল। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা নাজিমউদ্দিন তালুকদাৰ আৰু গফুৰ আলীক গ্ৰেপ্তাৰ কৰে। বৰ্তমান দুয়োজন অভিযুক্তক জেৰা অব্যাহত ৰাখিছে আৰক্ষীয়ে। এই অবৈধ সৰবৰাহ-চক্ৰৰ সৈতে আন কোনো ব্যক্তি বা বৃহত্তৰ নেটৱৰ্ক জড়িত আছে নেকি সেই দিশতো তদন্ত চলি আছে। উল্লেখ্য যে বিগত সপ্তাহতো গড়চুক আৰক্ষীয়ে দুখন গৰুভৰ্তি ট্ৰাক জব্দ কৰাৰ লগতে ৫জন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছিল।

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ বিশেষ পত্ৰ




ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দীৰ্ঘ সময় ভাৰতৰ প্ৰধানমন্ত্ৰী হিচাপে এক নতুন ইতিহাস ৰচনা কৰাৰ ঐতিহাসিক ক্ষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰীজনক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে।নতুন দিল্লীৰ ভাৰত মণ্ডপমত এন ডি এ চৰকাৰৰ ৰচ বছৰীয়া বৰ্ষপূৰ্তি উদযাপন অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমৰ ৩.৫ কোটি জনসাধাৰণৰ কৃতজ্ঞতা, মৰম আৰু শ্ৰদ্ধাজ্ঞাপন কৰি এক বিশেষ পত্ৰ অৰ্পণ কৰে। পত্ৰখনত মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰধানমন্ত্ৰী মোদীৰ কাৰ্যকালক এক পৰিৱৰ্তনকাৰী যুগ হিচাপে অভিহিত কৰে, যিয়ে কেন্দ্ৰৰ সৈতে অসমৰ সম্পৰ্কক এক নতুন ৰূপ প্ৰদান কৰাৰ লগতে ৰাজ্যখনৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰিছে। যাৰ ফলত অসম এখন নিৰ্ভৰশীল ৰাজ্যৰ পৰা ভাৰতৰ বিকাশৰ যাত্ৰাত এক গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়োৱা ৰাজ্য হিচাপে গঢ়ি উঠিবলৈ সক্ষম হৈছে। পত্ৰখনত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে দশক দশক ধৰি অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাইজ প্ৰায়ে ৰাষ্ট্ৰীয় মূলসুঁতিৰ পৰা আঁতৰত থকা যেন অনুভৱ কৰিছিল। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ মতে, প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত উত্তৰ-পূৰ্বাঞ্চলক প্ৰান্তীয় অঞ্চলৰ পৰা ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰৰ কেন্দ্ৰবিন্দুলৈ অনা হৈছে, যাৰ ফলত অসম আৰু নতুন দিল্লীৰ মাজৰ সম্পৰ্কৰো পৰিৱৰ্তন ঘটিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি প্ৰধানমন্ত্ৰী মোদীৰ দৃষ্টিভংগী, বিশেষকৈ অঞ্চলটোক 'অষ্টলক্ষ্মী'ৰ মৰ্যাদা প্ৰদান কৰাৰ ওপৰত আলোকপাত ( নপৃষ্ঠাত চাওক)

# দিল্লীত মুখ্যমন্ত্ৰী ড° শৰ্মাক সাক্ষাৎ সুস্মিতা দেৱৰ



ৰঙিলী বাৰ্ত্তাসেৱা- তৃণমূল কংগ্ৰেছ ত্যাগ কৰিলে দলটোৰ ৰাজ্যসভাৰ সাংসদ সুস্মিতা দেৱে। অসমৰ শিলচৰ লোকসভা তথা বিধানসভা সমষ্টিক এসময়ত প্ৰতিনিধিত্ব কৰা প্ৰাক্তন নেত্ৰীগৰাকী যোৱা দুটাকৈ কাৰ্যকাল তৃণমূল কংগ্ৰেছৰ ৰাজ্যসভাৰ সাংসদ হৈ আছিল যদিও শেহতীয়াকৈ মমতা বেনাৰ্জীৰ পতনৰ পাছতে তৃণমূল এৰিলে সুস্মিতা দেৱে। দল এৰাই নহয়, সুস্মিতা দেৱে ৰাজ্যসভাৰ সাংসদ পদৰ পৰাও পদত্যাগ কৰে। দল এৰাৰ পাছতে দিল্লীত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰিলে সদ্যত্যাগী তৃণমূল কংগ্ৰেছৰ নেত্ৰীগৰাকীয়ে। বুধবাৰে দিনৰ প্ৰায় ৰৰ বজাত ৰাজ্যসভাৰ অধ্যক্ষ তথা উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনৰ হাতত পদত্যাগ-পত্ৰ দাখিল কৰে সুস্মিতা দেৱে। তৃণমূল কংগ্ৰেছৰ এই সাংসদগৰাকীৰ এই পদত্যাগৰ পাছত তৃণমূল কংগ্ৰেছৰ ৰাজ্যসভাৰ সাংসদৰ সংখ্যা ১৩ৰ পৰা ১১লৈ হ্ৰাস পালে। ইতিমধ্যে মঙলবাৰে দল ত্যাগ কৰিছিল আন এগৰাকী সাংসদ সুখেন্দু শেখৰ ৰায়ে। বুধবাৰে পদত্যাগ ( নপৃষ্ঠাত চাওক)

# ইউ পি এছ চিত সফলতা লাভ কৰা ছাত্ৰ ছাত্ৰীৰ বাবে সুখবৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড় অঞ্চলৰ পৰা ইউনিয়ন পাব্লিক চাৰ্ভিচ কমিচন (ইউ পি এছ চি) অসামৰিক সেৱা পৰীক্ষাত সফল হোৱা প্ৰাৰ্থীৰ সংখ্যা হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত ডিব্ৰুগড়ৰ জ্যোতি ললিতা কানৈ ফাউণ্ডেশ্যনে এক গুৰুত্বপূৰ্ণ আৰু দূৰদৰ্শী পদক্ষেপ গ্ৰহণ কৰিছে। মেধাৱী ছাত্ৰ-ছাত্ৰী সকলক উৎসাহিত কৰাৰ উদ্দেশ্যে ফাউণ্ডেশ্যনে ডিব্ৰু মহাবিদ্যালয়ৰ সৈতে এক বুজাবুজি চুক্তি স্বাক্ষৰ কৰাৰ লগতে ২ লাখ টকাৰ এক কৰ্পাছ ফাণ্ড স্থাপন কৰিছে। ফাউণ্ডেশ্যন ন্যাসৰ জ্যোতি কানৈয়ে জনোৱা মতে, ২০২৫ চনত অঞ্চলটোৰ পৰা ৭ জন প্ৰাৰ্থীয়ে ইউপিএছচি পৰীক্ষাত সফলতা লাভ কৰিছিল যদিও ২০২৬ চনত এই সংখ্যা হ্ৰাস পাই মাত্ৰ ৩ জনলৈ সীমাবদ্ধ হয়। এই উদ্বেগজনক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি যুৱ প্ৰজন্মৰ মাজত প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰতি আগ্ৰহ আৰু প্ৰেৰণা বৃদ্ধি কৰাৰ উদ্দেশ্যে এই আঁচনি গ্ৰহণ কৰা হৈছে। অসম চৰকাৰৰ আদিবাসী কল্যাণ, শ্ৰম কল্যাণ আৰু ৰূপান্তৰ তথা উন্নয়ন বিভাগৰ মন্ত্ৰী ৰামেশ্বৰ তেলীৰ প্ৰেৰণাত আৰম্ভ কৰা এই আঁচনিৰ অধীনত ভৱিষ্যতে ইউপিএছচিৰ দৰে সন্মানীয় পৰীক্ষাত সফল হোৱা ছাত্ৰ-ছাত্ৰী সকলক নগদ পুৰস্কাৰ আৰু প্ৰশংসাপত্ৰ প্ৰদান কৰা হ'ব। এই পদক্ষেপক স্থায়ী ৰূপ দিয়াৰ উদ্দেশ্যে ফাউণ্ডেশ্যনে ২ লাখ টকাৰ কৰ্পাছ ফাণ্ড গঠন কৰিছে। ইয়াৰ অংশ হিচাপে দুলীয়াজানত অনুষ্ঠিত এক অনুষ্ঠানত মন্ত্ৰী ৰামেশ্বৰ তেলীৰ উপস্থিতিত ফাউণ্ডেশ্যনৰ তৰফৰ পৰা ২ লাখ টকাৰ চেক ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ৰঞ্জন চাংমাই আৰু উপাধ্যক্ষা ডঃ অদিতি বৰুৱাক আনুষ্ঠানিক ভাৱে প্ৰদান কৰা হয়। ফাউণ্ডেশ্যনৰ প্ৰতিনিধিসকলে আশা প্ৰকাশ কৰে যে এই ব্যতিক্ৰমী অংশীদাৰিত্বই অঞ্চলটোৰ যুৱসকলক ডাঙৰ সপোন দেখিবলৈ আৰু সেই সপোন বাস্তৱায়িত কৰিবলৈ অধিক উৎসাহিত কৰিব। লগতে এই পদক্ষেপে শিক্ষা ক্ষেত্ৰৰ মান উন্নয়ন, মেধাৱী ছাত্ৰ-ছাত্ৰী সকলক উপযুক্ত স্বীকৃতি প্ৰদান আৰু ভৱিষ্যতৰ দক্ষ প্ৰশাসনিক বিষয়া গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

# দেউৰী ভাষা সম্পৰ্কে এক তথ্যভিত্তিক আলোচনা




**জ্যোতিপ্ৰসাদ দেউৰী, লখিমপুৰ**

এই লিখনীৰ উদ্দেশ্য কোনো সম্প্ৰদায়ক আঘাত দিয়া বা সৰু কৰা নহয়। উদ্দেশ্য হৈছে চৰকাৰী নথি, লোকপিয়ল, ভাষাবৈজ্ঞানিক গৱেষণা আৰু উপলব্ধ ঐতিহাসিক তথ্যৰ ভিত্তিত দেউৰী ভাষাৰ পৰিচয় স্পষ্ট কৰা।


দেউৰী আৰু চুতীয়া সম্প্ৰদায়ৰ মাজত ঐতিহাসিক সম্পৰ্কৰ বিষয়ে বিভিন্ন গৱেষক আৰু ইতিহাসবিদে আলোচনা কৰিছে। এই সম্পৰ্কক অস্বীকাৰ কৰাৰ কোনো প্ৰয়োজন নাই। ইতিহাসৰ কোনো এটা সময়ত দুয়োটা সম্প্ৰদায়ৰ মাজত সাংস্কৃতিক, সামাজিক বা ৰাজনৈতিক সম্পৰ্ক থাকিব পাৰে। কিন্তু ঐতিহাসিক সম্পৰ্ক আৰু বৰ্তমানৰ ভাষাগত পৰিচয় একে বিষয় নহয়।

বৰ্তমান ভাৰত চৰকাৰ, অসম চৰকাৰ, Census of India, ভাষাবৈজ্ঞানিক গৱেষণা, Deori Autonomous Council, Deori Sahitya Sabha আৰু অন্যান্য স্বীকৃত নথিপত্ৰত "Deori Language" দেউৰী জনগোষ্ঠীৰ মাতৃভাষা হিচাপে স্বীকৃত। ভাষাটোৰ নাম চৰকাৰী নথিত "Deori" হিচাপেই লিপিবদ্ধ হৈছে।

এটা ভাষাৰ পৰিচয় কেৱল ঐতিহাসিক উল্লেখৰ ওপৰত নিৰ্ভৰ নকৰে। ভাষাৰ পৰিচয় নিৰ্ধাৰিত হয় সেই ভাষা কোনে প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি সংৰক্ষণ কৰিছে, কোনে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰিছে, কোনে মৌখিক সাহিত্য, লোকগীত, লোককথা, সংস্কৃতি আৰু শব্দভাণ্ডাৰ জীয়াই ৰাখিছে। দেউৰী ভাষাৰ ক্ষেত্ৰত এই দায়িত্ব আৰু অৱদান দেউৰী সমাজেই বহন কৰি আহিছে।

যদি দেউৰী সমাজে ভাষাটো সংৰক্ষণ নকৰিলেহেঁতেন, তেন্তে আজি দেউৰী ভাষাৰ ব্যাকৰণ, অভিধান, পাঠ্যপুথি, গৱেষণামূলক নথি, ভাষা শিক্ষাৰ সামগ্ৰী বা চৰকাৰী স্বীকৃতিৰ ভিত্তি নাথাকিলেহেঁতেন। দেউৰী ভাষাৰ আজিৰ অস্তিত্ব দেউৰী সমাজৰ বহু প্ৰজন্মৰ ত্যাগ, *(আঠপৃষ্ঠাত চাওক)*

# ভূপৃষ্ঠৰ পৰিৱৰ্তনৰ অন্যতম বাহ্যিক কাৰক -নদী



**বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও**

পৃথিৱীৰ উপৰিভাগ বা ভূ-পৃষ্ঠৰ অৱয়ব সদায় একেদৰে নাথাকে। সময়ৰ গতিত এই অৱয়ব সমূহৰ পৰিবৰ্তন ঘটে। অৱশ্যে অৱয়ববোৰৰ সৃষ্টিৰ লগত জড়িত হৈ থকা প্ৰক্ৰিয়াবোৰো সময়ৰ গতিত পৰিবৰ্তন হয়। জলভাগ আৰু স্থলভাগেৰে গঠিত ভূ-পৃষ্ঠত দেখা- দেখিকৈ কিছুমান কাৰকে ক্ৰিয়া কৰি থাকে। যেনে ধৰা সূৰ্যৰ উত্তাপ, বতাহ, বৰষুণ, নদী, হিমবাহ, সাগৰৰ ঢৌ আদি। এই বোৰকে বাহ্যিক কাৰক বুলি কোৱা হয়। কিছুমান আভ্যন্তৰীণ কাৰকৰ বাবে ভূ-পৃষ্ঠৰ অৱয়ব সলনি হ'ব পাৰে। সেইবোৰ হৈছে প্ৰধানকৈ ভূমিকম্প আৰু আগ্নেয়গিৰী।

ভূ-পৃষ্ঠৰ পৰিৱৰ্তনৰ কাৰক বোৰৰ ভূমিকা অতীতৰ পৰা এতিয়ালৈকে একে নহয়। একোটা অঞ্চলৰ ভূপৃষ্ঠৰ পৰিৱৰ্তনৰ ক্ষেত্ৰত বিশেষ একোটা প্ৰক্ৰিয়াইহে ক্ৰিয়া কৰা দেখা যায়। উদাহৰণ স্বৰূপে বেছি বৰষুণ হোৱা অঞ্চলত নদীৰ কাৰ্যই মুখ্য ভূমিকা পালন কৰে। যিহেতু পৃথিৱী পৃষ্ঠৰ বেছি ভাগ জলভাগে আবৃত সেয়ে ভূ-পৃষ্ঠৰ অৱয়বৰ পৰিৱৰ্তনত নদীৰ কাৰ্য্য সুদূৰপ্ৰসাৰী। নদীৰ কাৰ্যক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰা হৈছে। সেই কেইটা হৈছে ১) খনন বা ক্ষয় কাৰ্য ২) পৰিবহন আৰু ৩) অৱক্ষেপন বা জমাকৰণ কাৰ্য।

বৰষুণৰ পৰিমাণ বেছি হ'লেই ভূ-পৃষ্ঠৰ খননকাৰ্য আৰম্ভ হয়। ঘাঁহ -বন, গছ-গছনি নথকা বালিময় ঠাইত এই খনন বেছি হয়। বৰষুণৰ পানী নৈ হৈ বৈ গ'লে পানীৰ খনন শক্তি বৃদ্ধি পায়। নদীয়ে নদীৰ গতিপথত অৰ্থাৎ উৎসৰ পৰা মোহনালৈকে গোটেই পথ চোৱাতে খননকাৰ্য চলায়। এই খননকাৰ্য নদীৰ গতিপথৰ সকলো ঠাইতে সমান নহয়। উচ্চভূমি অঞ্চলত নদীৰ গতিবেগ প্ৰবল, গতিপথ ঠেক হোৱা দেখা যায়। উচ্চভূমিৰ পৰা ভৈয়ামলৈ বা সমতললৈ গতি কৰোঁতে নদীৰ গতিবেগ হ্ৰাস পায় আৰু সোঁতে কঢ়িয়াই অনা গেদবোৰ ভৈয়ামত জমা হ'বলৈ ধৰে । এনেদৰে গেদ জমা হৈ হৈ নদীৰ বুকুৰ গভীৰতা কমি বাম হৈ পৰে। তেনে অঞ্চলত পানীভাগ বোৱাই নিবলৈ নদীয়ে দুয়োপাৰ খহাবলৈ ধৰে। এনে খননকাৰ্যক পাৰ খনন বা পাৰ্শ্ব খনন বোলা হয়। সাধাৰণতে এই কাৰ্যক গৰাখহনীয়া বুলিও কোৱা হয়। গৰাখহনীয়াই নদীৰ গতিপথ একা-বেঁকা কৰি তোলে। সাপৰ গতিৰ লগত তুলনা কৰি নদীৰ এই একা-বেঁকা গতিক সৰ্পিল গতি বুলি কোৱা হয়। বাৰিষাকালত বৰষুণৰ পৰিমাণ যথেষ্ট বেছি হ'লে *(বাৰপৃষ্ঠাত চাওক)*

# অনাকাংক্ষীত



**প্ৰভাত বণিয়া**

দুশ্চিন্তাত দহিছে মন
অশালীন কথা বতৰা অসামাজিক আবহাৱা
যুঁজৰ কুকুৰা
অনবৰত
'যুদ্ধং দেহি' ছাল চলন
কুটিল ৰণচালি
জ্বলি পুৰি ছাই হয়
মা মাটি মানুহ
ক্ষণিকৰ ভোজ খাওতা নাই
উৎকণ্ঠা অনাহাৰ অনিদ্ৰা
নোদোকা হয় ৰজা-মহাৰজা
লগুৱা-লিকচৌ
থৰহৰি কম্পমান দুঃখিত জীৱন
হয়তো বাজিব পাৰে ছাইৰেন
ছানি ধৰিব আকৌ
ঘৰ পদূলি ৰাস্তা-ঘাট
যুদ্ধৰ কৰাল বিভীষিকা।


# কি নাম দিব মোক ?



**ড° কংকনা মেধি, সহকাৰী অধ্যাপিকা, প্ৰাণীবিজ্ঞান বিভাগ, প্ৰাগজ্যোতিষ মহাবিদ্যালয়**

স্বপ্নভঙ্গই কোঙা কৰা পুৰাবোৰতো
মোৰ প্ৰাণত 'বীৰ'ৰ হাঁহি,
আৰু এন্ধাৰৰ চকুত চকু থৈ কথা কোৱাৰ মৰসাহ !
আঘাতৰ অস্ত্ৰৰ ভৰ পিঠিত বান্ধি
জীৱন পৰ্বতৰ সীমনাত
মই এতিয়াও যুঁজিবলৈ যাওঁ,
কোনো জেদী সৈনিকৰ দৰে...।
পৰিস্থিতিৰ বৰফত পিচলিলে
মই খুলি থওঁ দুভৰিৰ আৱৰণ,
পথবিহীন দুৰ্গম দিশেৰে
দুহাতত দুমুঠি বিশ্বাস লৈ
বাধাৰ বুকু চিৰাচিৰ কৰি
মই আগুৱাই থাকো শিখৰ অভিমুখে ।
মোৰ তেজত আত্মবিশ্বাসৰ উত্তাপ
আৰু মোৰ বুকুত এশটা সূৰুযৰ ৰ'দ...।

# মৰমৰ চৰাই



**অনুৰাগ বৰা, ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ,**
**বৌমৰা, দেৰগাঁও, গোলাঘাট**

মোৰ অতি মৰমৰ সৰু চৰাইটি,
মুক্ত মনেৰে বিচৰণ কৰা নীল আকাশত;
দুটি পাখি মেলি দিয়া আনন্দ-উলাহত,
জাক পাতি নাচি থাকা হেঙুলীয়া মেঘত।
নীল আকাশৰ পৰা নাযাবা হেৰাই,
তোমাক দেখিলেই শান্ত হয় মোৰ ব্যাকুল মন;
হৃদয়ৰ গভীৰৰ পৰা ভাল পাওঁ তোমাক,
তোমাক বুকুত লৈয়েই ৰচো মই অযুত সপোন।
প্ৰতিটো ৰাতিপুৱা যেতিয়া মেলো দুচকু,
কাণ পাতি শুনি ৰওঁ তোমাৰ সেই মিঠা মাত;
বুকুৰ মাজত আপদাল কৰিবলৈ বৰকৈ মন যায়,
তথাপিও ভয় লাগে- জানোচা ক'ৰবাত
তোমাৰ কোমল দেহত লাগে কিবা আঘাত!
গছৰ খোৰোঙৰ পৰা তুমি সৰি পৰিলে,
হৃদয় খনি ভাগি পৰে, লাগে বৰ বেজাৰ;
হে মোৰ মৰমৰ চৰাই,
তুমি সদায় গাই থাকা
সেউজীয়া গছৰ ডালত বহি
তোমাৰ প্ৰাণজুৰোৱা গান।

অণুগল্প

# অপেক্ষা




অসুস্থ দেউতাকৰ ওচৰত বহুদিনৰ পৰা তাৰ এটাই দাবী, নতুন চাইকেল এখন লাগে।

চিকিৎসালয়ৰ বিছনাটো তাৰ ব্যতিক্ৰম নহ'ল।

ৰাতি পুৱালৈ ঘৰৰ চোতালত এখন নতুন চাইকেল আৰু কাষতে এখন চিঠি।

**সম্প্ৰীতি কোঁৱৰ,**
**বিশাখাপট্টনম**

# ছবি



ধৰা হওক
এখনি আটোল টোলকৈ সজা এখনি ঘৰ...
এগৰাকী বোকাৰ...এগৰাকী কোলাৰ...
এগৰাকীৰ ভূমিকা সন্দেহ জনক...
অন্যগৰাকী..
স্বয়ং লক্ষ্মী দেৱীৰ পৰাকাষ্ঠা..
সময়ে গৰকাত এজন আজি অকলশৰীয়া,
আৰু...
বোলে.. খেনোক দেখি ৰান্ধে বাঢ়ে...

**নীলোৎপল শইকীয়া, নগাঁও**

# সামাজিক মাধ্যম সাহিত্য-চৰ্চাৰ মাধ্যম হ'ব পাৰে নে?




**শিল্পা প্ৰিয়ম কুণ্ডিণ্য,গুৱাহাটী, সাতগাঁও**

মানৱ সভ্যতাৰ বিকাশৰ ইতিহাসত সাহিত্যই এক বিশেষ স্থান দখল কৰি আহিছে। সাহিত্য হৈছে সমাজৰ দাপোণ; ই মানুহৰ অনুভূতি, চিন্তা-চেতনা, আশা-আকাংক্ষা, সংস্কৃতি আৰু জীৱনদৰ্শনক প্ৰতিফলিত কৰে। যুগে যুগে সাহিত্যৰ বিকাশ আৰু প্ৰসাৰৰ ক্ষেত্ৰত বিভিন্ন মাধ্যমৰ অৱদান আছে। এসময়ত সাহিত্যৰ প্ৰচাৰ মুখে মুখে হৈছিল, পিছলৈ পুথি, কাকত-আলোচনী, গ্ৰন্থ আৰু অন্যান্য ধৰণৰ মাধ্যমৰ জৰিয়তে সাহিত্যৰ বিস্তাৰ ঘটিছিল। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিৰ অভূতপূৰ্ব উন্নয়নৰ ফলত বিশ্ব এখন সৰু গাঁৱৰ দৰে হৈ পৰিছে। এই পৰিৱৰ্তিত যুগত সামাজিক মাধ্যমসমূহে যোগাযোগৰ ক্ষেত্ৰত এক নতুন দিগন্ত উন্মোচন কৰিছে। ফেচবুক, ইউটিউব, ইনষ্টাগ্ৰাম, এক্স (টুইটাৰ), ব্লগ আদি সামাজিক মাধ্যমসমূহে কেৱল যোগাযোগৰ মাধ্যম হিচাপেইনহয়, সাহিত্য-চৰ্চা আৰু সাহিত্যৰ প্ৰসাৰৰ এক শক্তিশালী মঞ্চ হিচাপেও আত্মপ্ৰকাশ কৰিছে। সেয়েহে সামাজিক মাধ্যম সাহিত্য-চৰ্চাৰ মাধ্যম হ'ব পাৰে নে নাই, এই বিষয়টোৱে বিশেষ গুৰুত্ব লাভ কৰিছে।

সামাজিক মাধ্যম আৰু সাহিত্য- সামাজিক মাধ্যম হৈছে এনে এক ডিজিটেল মঞ্চ, য'ত মানুহে নিজৰ মতামত, অভিজ্ঞতা, সৃষ্টিশীলতা আৰু জ্ঞান সহজে আনৰ লগত ভাগ-বতৰা কৰিব পাৰে। সাহিত্য মূলতঃ মানুহৰ মনৰ সৃষ্টিশীল প্ৰকাশ। যেতিয়া এই সৃষ্টিশীল প্ৰকাশ সামাজিক মাধ্যমৰ জৰিয়তে বহু লোকৰ ওচৰ পায়, তেতিয়া সাহিত্যৰ বিস্তাৰৰ নতুন পথ মুকলি হয়। সামাজিক মাধ্যমৰ সহায়ত এতিয়া এজন লেখকে নিজৰ কবিতা, গল্প, প্ৰবন্ধ, উপন্যাস বা সমালোচনা মুহূৰ্তৰ ভিতৰতে বিশ্বৰ যিকোনো প্ৰান্তৰ পাঠকৰ ওচৰলৈ পঠিয়াব পাৰে।

সামাজিক মাধ্যমৰ আটাইতকৈ ডাঙৰ সুবিধা হৈছে ইয়াৰ ব্যাপক প্ৰসাৰ ক্ষমতা। অতীতত কোনো লেখকৰ ৰচনা প্ৰকাশ কৰিবলৈ আলোচনী বা প্ৰকাশন সংস্থাৰ অনুমতিৰ প্ৰয়োজন হৈছিল। বহু প্ৰতিভাৱান লেখকেও সুযোগৰ অভাৱত নিজৰ সৃষ্টিশীলতাক প্ৰকাশ কৰিব নোৱাৰিছিল। কিন্তু সামাজিক মাধ্যমৰ যুগত সেই বাধা বহু পৰিমাণে দূৰ হৈছে। এতিয়া যিকোনো ব্যক্তিয়ে নিজৰ সাহিত্যিক সৃষ্টি অনলাইনত প্ৰকাশ কৰি পাঠকৰ সঁহাৰি লাভ কৰিব পাৰে।

ইয়াৰ উপৰিও সামাজিক মাধ্যমত বিভিন্ন সাহিত্যিক গোট, পৃষ্ঠা আৰু অনলাইন মঞ্চ গঢ় লৈ উঠিছে। এই গোটসমূহত সাহিত্য পাঠ, আলোচনা, সমালোচনা আৰু সাহিত্য-সম্পৰ্কীয় বিভিন্ন অনুষ্ঠান অনুষ্ঠিত হয়। ফলত সাহিত্যৰ প্ৰতি আগ্ৰহী লোকসকল এক উমৈহতীয়া পৰিৱেশত একত্ৰিত হোৱাৰ সুযোগ লাভ কৰে।

সামাজিক মাধ্যম নতুন লেখক সৃষ্টিৰ এক গুৰুত্বপূৰ্ণ ক্ষেত্ৰ। বহু নবীন লেখকে নিজৰ প্ৰতিভা প্ৰথমে সামাজিক মাধ্যমৰ জৰিয়তেই প্ৰকাশ কৰিছে। পাঠকৰ ইতিবাচক সঁহাৰিয়ে তেওঁলোকক অধিক উৎসাহিত কৰে। বহু ক্ষেত্ৰত সামাজিক মাধ্যমত জনপ্ৰিয় হোৱা লেখকৰ গ্ৰন্থ পৰৱৰ্তী সময়ত প্ৰকাশিত হৈ ব্যাপক সমাদৰ লাভ কৰিছে। সেয়েহে সামাজিক মাধ্যমক নতুন সাহিত্যিক প্ৰতিভা বিকাশৰ এক উৰ্বৰ ভূমি বুলি কোৱা যায়।

সাহিত্যৰ বিকাশৰ বাবে গঠনমূলক আলোচনা আৰু সমালোচনা অতি প্ৰয়োজনীয়। সামাজিক মাধ্যমত পাঠক আৰু লেখকৰ মাজত প্ৰত্যক্ষ যোগাযোগ স্থাপন হয়। পাঠকে কোনো ৰচনা পঢ়ি নিজৰ মতামত প্ৰকাশ কৰিব পাৰে আৰু লেখকেও সেই মতামত গ্ৰহণ কৰি নিজৰ লিখনিশৈলী উন্নত কৰাৰ সুযোগ পায়। বিভিন্ন সাহিত্যিক আলোচনাচক্ৰ, লাইভ অনুষ্ঠান আৰু অনলাইন সভাই সাহিত্য-চৰ্চাক অধিক জীৱন্ত আৰু গতিশীল কৰি তুলিছে।

সামাজিক মাধ্যমৰ আন এক উল্লেখযোগ্য অৱদান হৈছে ভাষা আৰু সংস্কৃতিৰ সংৰক্ষণ। আঞ্চলিক ভাষাসমূহৰ সাহিত্য এতিয়া আগতকৈ অধিক মানুহৰ ওচৰ পোৱা সম্ভৱ হৈছে। অসমীয়া ভাষাৰ কবিতা, গল্প, লোকসাহিত্য, গীত আৰু সংস্কৃতি-সম্পৰ্কীয় বিষয়বস্তু সামাজিক মাধ্যমৰ জৰিয়তে বিশ্বৰ বিভিন্ন প্ৰান্তত থকা অসমীয়াসকলৰ ওচৰলৈ সহজে পঠিয়াব পৰা যায়। ইয়াৰ ফলত মাতৃভাষাৰ প্ৰতি অনুৰাগ বৃদ্ধি পায় আৰু সাংস্কৃতিক ঐতিহ্য সংৰক্ষণত সহায় হয়।

যদিও সামাজিক মাধ্যম সাহিত্য-চৰ্চাৰ এক গুৰুত্বপূৰ্ণ মাধ্যম, তথাপিও ইয়াৰ কিছুমান সীমাবদ্ধতা আৰু নেতিবাচক দিশ আছে। বহু সময়ত গুণগত মানতকৈ জনপ্ৰিয়তাক অধিক গুৰুত্ব দিয়া হয়। ফলত নিম্নমানৰ লিখনিও অধিক প্ৰচাৰ লাভ কৰে। তদুপৰি, সামাজিক মাধ্যমত কপি-পেষ্ট সংস্কৃতি, সাহিত্য চুৰি, অপপ্ৰচাৰ আৰু অশালীন মন্তব্যৰ দৰে সমস্যাও দেখা যায়। আনহাতে, অধিকাংশ পাঠকে দীঘলীয়া আৰু গভীৰ সাহিত্য পঢ়াতকৈ চুটি আৰু তাৎক্ষণিক বিষয়বস্তুৰ প্ৰতি অধিক আকৰ্ষিত হয়, যাৰ ফলত গম্ভীৰ সাহিত্য-চৰ্চা কেতিয়াবা ক্ষতিগ্ৰস্ত হ'ব পাৰে।

সামাজিক মাধ্যম আৰু পৰম্পৰাগত সাহিত্যৰ সমন্বয়- সামাজিক মাধ্যমক পৰম্পৰাগত সাহিত্যৰ প্ৰতিদ্বন্দ্বী হিচাপে নহয়, বৰঞ্চ সহযোগী হিচাপে চাব লাগে। মুদ্ৰিত গ্ৰন্থৰ নিজস্ব মৰ্যাদা আৰু গভীৰতা আছে। সামাজিক মাধ্যমে সেই সাহিত্য অধিক পাঠকৰ ওচৰলৈ নিবলৈ সহায় কৰে। সেয়েহে সাহিত্যৰ সুস্থ বিকাশৰ বাবে দুয়োটা মাধ্যমৰ মাজত সমন্বয় অতি প্ৰয়োজনীয়।

সামৰণিত ক'ব পাৰি যে সামাজিক মাধ্যম সাহিত্য-চৰ্চাৰ এক শক্তিশালী, সুযোগী আৰু সম্ভাৱনাময় মাধ্যম। ই সাহিত্যক অধিক গণমুখী কৰি তুলিছে, নতুন লেখকৰ জন্ম দিছে, পাঠক-লেখকৰ দূৰত্ব কমাইছে আৰু ভাষা-সংস্কৃতি সংৰক্ষণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। যদিও ইয়াৰ কিছুমান সীমাবদ্ধতা আছে, তথাপিও সচেতন আৰু সৃষ্টিশীল ব্যৱহাৰৰ জৰিয়তে এই সমস্যাসমূহ অতিক্ৰম কৰিব পাৰি। আধুনিক যুগত সাহিত্যৰ বিকাশ, প্ৰসাৰ আৰু জনপ্ৰিয়কৰণৰ ক্ষেত্ৰত সামাজিক মাধ্যমৰ ভূমিকা অনস্বীকাৰ্য। সেয়েহে নিঃসন্দেহে ক'ব পাৰি যে সামাজিক মাধ্যম সাহিত্য-চৰ্চাৰ এক ফলপ্ৰসূ, শক্তিশালী আৰু যুগধৰ্মী মাধ্যম।

# মৰ্মপীড়াৰ নিমগ্নতা



**নিৰঞ্জন ঠেঙাল, গোলাঘাট**

সম্পৰ্কৰ বন্তীগছিয়ে যেতিয়া
শেষ হুতাশনৰ দ্যুতি চতিয়াইছিল
তেতিয়া যে -
বুকুত অন্যংদহনৰ প্ৰভাত হৈছিল...
অমানিশাৰ কাল গ্ৰাহতাই মোক
তিলতিলকৈ আত্মসাৎ কৰি
দলিয়াই দিছিল ছদ্মবেশী
সমাজৰ মাজলৈ
যʼত মই মোক আৱিষ্কাৰ কৰিলোঁ,
অথচ মৰ্মপীড়াৰ শোষণত ভস্ম হৈ গʼল
মোৰ প্ৰীতিৰ লালসা।
শ্বাসাৰুদ্ধ হৈ মৰ্মাহতৰ
দীপ্তিহীন বন্ধ কোঠাৰ অটলতাত
বিয়পি পৰিছিলোঁ...
ভাগ্যে তেতিয়া মোৰ মন স্থিৰ হৈ ৰʼল,
ধীৰ সুফলত জীয়াই থাকিলোঁ
উশাহ লৈ, লক্ষ্য লৈ।
এতিয়া অপ্ৰয়োজনীয় চাৰিওকাষ
আৰু তাৰ সংসৰ্গতা...
কাৰণ মই এতিয়া চ্যুত-বিচ্যুত হৈ
গঢ়ি উঠা এটা অদ্বিতীয় সুভা।

# দেউৰী ভাষা সম্পৰ্কে

সাধনা আৰু ভাষা সংৰক্ষণৰ ফল।

সেয়ে, ঐতিহাসিক সম্পৰ্ক থাকিলেও বৰ্তমান দেউৰী ভাষাক চুতীয়া সম্প্ৰদায়ৰ মাতৃভাষা বুলি দাবী কৰা চৰকাৰী নথি, লোকপিয়লৰ তথ্য আৰু ভাষাবৈজ্ঞানিক স্বীকৃতিৰ সৈতে সামঞ্জস্যপূৰ্ণ নহয়।

অৱশ্যে, যিকোনো ব্যক্তি বা সম্প্ৰদায়ে দেউৰী ভাষা শিকিব পাৰে, গৱেষণা কৰিব পাৰে, ভাল পাব পাৰে আৰু ভাষাটোৰ বিকাশত অৱদান আগবঢ়াব পাৰে। ভাষা শিকাৰ অধিকাৰ সকলোৰে আছে। কিন্তু ভাষাটোৰ স্বীকৃত মাতৃভাষাগত পৰিচয় দেউৰী জনগোষ্ঠীৰ সৈতে জড়িত - এই সত্যক সন্মান জনোৱাটোও সমানেই প্ৰয়োজনীয়।


আমি চুতীয়া সম্প্ৰদায়ৰ ইতিহাস, সংস্কৃতি আৰু পৰিচয়ক সন্মান কৰোঁ। একেদৰে দেউৰী জনগোষ্ঠীৰ ভাষাগত, সাংস্কৃতিক আৰু ঐতিহাসিক পৰিচয়কো সঠিকভাৱে স্বীকৃতি আৰু সন্মান জনোৱাৰ আহ্বান জনাওঁ।

পৰস্পৰৰ ইতিহাসক সন্মান কৰা আৰু চৰকাৰীভাৱে স্বীকৃত পৰিচয়ক মান্যতা দিয়াই সামাজিক সম্প্ৰীতি আৰু পাৰস্পৰিক সন্মানৰ সৰ্বোত্তম পথ।

The language largely spoken by the Deori Community is generally known as Deori Language. The Deoris are recognised as one of the distinct Schedule Tribe communities as per the Indian Constitution. Therefore any sorts of corruption in respect of the distinct community's language is directly against the Laws of the land.

ভাৰতৰ সংবিধানৰ দ্বাৰা স্বীকৃত দেউৰী জনগোষ্ঠীৰ স্বকীয় জাতিগত ভাষাৰ ক্ষেত্ৰত যিকোনো বিৰূপ তথা বিভ্ৰান্তিকৰ মন্তব্য কেৱল মৰ্যাদা হানিকাৰকেই নহয়, ই ভাৰতৰ সংবিধানৰ পৰিপন্থীও।

# ডিমেন্‌চিয়া, সামাজিক সচেতনতা আৰু সমাজৰ সহায়ত ঘৰুৱা পৰিচালনা



**বৃষ্টি বৰগোহাঁই, সহকাৰী অধ্যাপিকা**
**সমাজ কৰ্ম অধ্যয়ন কেন্দ্ৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়**

**যোৰাখগুৰ পৰা..**

ৰাস্তাবিলাকৰ লগত সংযোগ বিচ্ছিন্ন হৈ যাব পাৰে।- সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত দুৰ্বলতা দেখা যাম।- উদ্যোগী মনোভাৰ, উৎসাহ হ্ৰাস হোৱা ও হতাশা, খং বা মানসিক অস্থিৰতাৰ লক্ষণ প্ৰকাশ পাব পাৰে। পূৰ্বতে আগ্ৰহ থকা কাৰ্য্য, বিনোদন বা দৈনন্দিন কাৰ্যকলাপৰ প্ৰতি আগ্ৰহ কমি যাব পাৰে।

খ)মধ্যম পৰ্য্যায় (Middle Stage) ৰোগ ক্ৰমে অগ্ৰসৰ হোৱাৰ লেগে লগে সমস্যাসমূহ অধিক স্পষ্ট আৰু সীমাবদ্ধতা পূৰ্ণ হৈ উঠে। এই পৰ্য্যায়ত ডিমেনচিয়াত আক্ৰান্ত ব্যক্তিজনৰ দৈনন্দিন জীৱনযাত্ৰা অধিক কঠিন ছৈ পৰে। এই পৰ্য্যায়ত ব্যক্তিজনৰ মাজত তলত দিয়া লক্ষণসমূহ দেখা দিব পাৰে।- বিশেষকৈ সাম্প্ৰতিক ঘটনা আৰু মানুহৰ নাম সহজে পাহৰি যাব পাৰে। অকলে বাস কৰাটো কঠিন হৈ পৰে কাৰণে নিৰ্ভৰশীল হৈ পৰে।- সহায় অবিহনে বন্ধন, পৰিচ্ছন্নতা বা নিজৰ কাম সম্পাদন কৰিব নোৱাৰিব পাৰে।- কেতিয়া আক কেনেদৰে আহাৰ গ্ৰহণ কৰিব লাগে তাৰ বাবে আনৰ ইঙ্গিত বা সহায় লাগিব পাৰে।ভাষা বুজি পোৱাত অধিক অসুবিধা অনুভৱ কৰিব পাৰে।- উদ্দেশ্যহীন ভাবে ঘূৰি ফুৰা বা অন্য জটিল আচৰণ দেখা দিব পাৰে। ঘৰ বা সমাজৰ পৰিচিত পৰিবেশতো পথ ভুল কৰিব পাৰে। কেতিয়াবা ভ্ৰমাত্মক দৃশ্য বা শব্দ অনুভৱ (Hallucination) হʼব পাৰে।

গ) অন্তিম পৰ্যায় (ত্ৰক্কঙ্গ ত্ৰক্কঙ্গঙ্গ) এই পৰ্য্যায়ত ব্যক্তিজনৰ বাবে নিৰন্তৰ যত্ন, সহায় আক তত্বাৱধান অত্যাৱশ্যকীয় হৈ পৰে। স্মৃতিভ্ৰংশ অত্যন্ত গম্ভীৰ ৰূপ ধাৰণ কৰে আৰু ৰোগৰ শাৰীৰিক প্ৰভাৱসমূহো স্পষ্টভাবে প্ৰকাশ পাবলৈ ধৰে। এই পৰ্য্যায়ত ব্যক্তিজনে আহাৰ গ্ৰহণৰ ক্ষেত্ৰত আনৰ সহায়ৰ প্ৰয়োজন অনুভৱ কৰিব পাৰে। আত্মীয় স্বজন, বন্ধু-বান্ধৱ অথবা পৰিচিত বস্তুসমূহ চিনাক্ত কৰিব নোৱাৰিব পাৰে।- ঘটনা বা পৰিস্থিতি বুজি পোৱা আৰু তাৰ অৰ্থ অনুধাৱন কৰাত অসুবিধা অনুভৱ কৰিব পাৰে।- নিজৰ ঘৰৰ ভিতৰতে ৰাস্তা বিচাৰি চলাথ কৰিব পাৰে।- মূত্ৰাশয় আৰু অন্ত্ৰ নিয়ন্ত্ৰণৰ ক্ষমতা হ্ৰাস পাব পাৰে। চিঞৰা, গালি পৰা, খং কৰা আদি অনুপযুক্ত আচৰণৰ বহিঃপ্ৰকাশ হʼব পাৰে।

ঘ) অন্তিম অৱস্থা (End Stage)- ডিমেনচিয়াৰ অন্তিম অৱস্থাত ব্যক্তিজন জীৱনৰ শেষ পৰ্য্যায়ত উপনীত হয়। বহু ক্ষেত্ৰত ডিমেনচিয়া প্ৰত্যক্ষ কাৰণ মৃত্যুৰ বাবে নহবও পাৰে বৰং অন্য শাৰীৰিক অসুখ বা জটিলতাৰ বাবেও মৃত্যু হব পাৰে। এই পৰ্যায়ৰ লক্ষণসমূহ হʼল-

১) বাকশক্তি অত্যন্ত সীমিত হৈ পৰে অথবা সম্পূৰ্ণ নোহোৱা হʼব পাৰে। চলাফুৰা প্ৰায় নাথাকে আৰু অধিকাংশ সময় শয্যাশায়ী হৈ থাকিব পাৰে। অধিকাংশ সময় নিদ্ৰামগ্ন অৱস্থাত কটাব পাৰে। ব্যক্তিগত যত্নৰ ক্ষেত্ৰত সম্পূৰ্ণ সহায়ক প্ৰয়োজন হয়। খাদ্য গিলিবলৈ অসুবিধা অনুভৱ কৰিব পাৰে।

২) ভাস্কুলাৰ ডিমেন্‌চিয়া (Vascular Dementi) ভাস্কুলাৰ ডিমেন্‌চিয়াত আক্ৰান্ত কিছুমান ব্যক্তিৰ ক্ষেত্ৰত লক্ষণসমূহ কিছু সময়লৈ একে অৱস্থাত থাকিব পাৰে, কিন্তু পৰৱৰ্তী কোনো ষ্ট্ৰোকৰ ফলত হঠাতে অৱনতি ঘটিব পাৰে। এই ধৰণৰ হঠাৎ অৱনতিয়ে এলঝেইমাৰ ৰোগত দেখা দিয়া ধীৰগতিসম্পন্ন অৱক্ষয়ৰ সৈতে বৈপৰীত্য সৃষ্টি কৰে। বহু সময়ত কোনো ব্যক্তি এলঝেইমাৰ নে ভাস্কুলাৰ ডিমেন্‌চিয়াত আক্ৰান্ত সেয়া নিৰ্ধাৰণ কৰাটো কঠিন হয়। কেতিয়াবা উভয় ধৰণৰ ডিমেন্‌চিয়াৰ প্ৰভাৱ একেলগে ও দেখা দিব পাৰে।

৩) লিউই বডিৰ সৈতে ডিমেন্‌চিয়া -এই ধৰণৰ, ডিমেন্‌চিয়াত আক্ৰান্ত বহু ব্যক্তিৰ ক্ষেত্ৰত পাৰ্কিনচন ৰোগৰ দৰে লক্ষণো দেখা যায় যেনে ফুৰাচকাত মন্থৰতা, শৰীৰৰ জড়তা আৰু কঁপনি। এই ৰোগত দৃষ্টিভ্ৰম এক সাধাৰণ লক্ষণ। এওঁলোকক যত্ন লৈ থকা ব্যক্তিসকলৰ বাবে এক সমস্যাৰ কাৰণ হʼল আক্ৰান্ত ব্যক্তিৰ সামৰ্থ্য আৰু আচৰণ কেতিয়াবা স্বাভাৱিক আক কেতিয়াবা আকস্মিকভাবে বেছি দুৰ্বল বা বিভ্ৰান্ত হৈ পৰে।

৪) ফ্ৰন্ট' টেম্প'ৰেল ডিমেন্‌চিয়া (Frontotemporal Dementia with Pick's Disease)- এই ৰোগৰ আৰম্ভণি পৰ্য্যায়ত স্মৃতিশক্তি সাধাৰণতে বেছি ক্ষতিগ্ৰস্ত নহৱ ও পাৰে, কিন্তু ব্যক্তিত্ব আৰু আচৰণত উল্লেখযোগ্য পৰিৱৰ্তন দেখা যায়। আক্ৰান্ত ব্যক্তিজন অধিক আত্মকেন্দ্ৰিক বা অনুভূতিহীন যেন লোগিব পাৰে। কেতিয়াবা তেওঁ অশালীন আচৰণ কৰিব পাৰে অথবা অতি সহজে মনোযোগ হেৰুৱাব পাৰে।

৫) পোষ্টেৰিঅʼৰ কৰ্টিকেল এট্ৰফি (Posterior Cortical Atrophy) এই ধৰণৰ ডিমেন্‌চিয়াৰ আৰম্ভণি পৰ্য্যায়ত স্মৃতিশক্তি তুলনামূলকভাবে কম প্ৰভাৱিত হʼব পাৰে। কিন্তু দৃষ্টিশক্তিজনিত অসুবিধাই এই ৰোগৰ আটাইতকৈ সাধাৰণ বৈশিষ্ট্য। পৰিবেশ সঠিকভাবে অনুধাৱন কৰাত অসুবিধা পোৱা, পঢ়িবলৈ কষ্ট পোৱা আৰু পথত দ্ৰুতগতিত গতি কৰা বস্তু যেনে গাড়ী -দেখি বিভ্ৰান্ত বা আতংকিত হৈ পৰা ইত্যাদি সাধাৰণ লক্ষণ। ফলস্বৰূপে, ব্যক্তিজনৰ পৰি যোৱাৰ সম্ভাৱনা ও বৃদ্ধি পায়।

ডিমেন্‌চিয়াৰ নিৰ্ণয় কিয় গুৰুত্বপূৰ্ণ- ডিমেন্‌চিয়াৰ লগত মিল থকা কিন্তু চিকিৎসাযোগ্য আন ৰোগসমূহ চিনাক্ত বা বাতিল কৰা। ইয়াৰ ভিতৰত হতাশা(Depression), বক্ষ বা মূত্ৰনালীৰ সংক্ৰমণ, তীব্ৰ কৌষ্ঠকাঠিন্য, ভিটামিন বা থাইৰয়ড আক টিউমাৰ (মগজুৰ) আদি ও

*(বাৰপৃষ্ঠাত চাওক)*

# পথৰ দাঁতিৰ গছ

লগে পৰিস্থিতা হাজৰিকাৰ মৃত্যু হোৱাৰ লগতে আনগৰাকী আৰোহী জ্যোতিৰ্ময় মহন আহত হয়। ঘটনাটোত লগে লগে হুৱাদুৱাৰ সৃষ্টি হয়। পথটোৰে গৈ থকা ৰাইজে গছজোপা কিবা প্ৰকাৰে আঁতৰাই ছাত্ৰীগৰাকীক আৰক্ষীৰ সহযোগত মালিগাঁৱৰ সঞ্জীৱনী হাস্পতাললৈ প্ৰেৰণ কৰে যদিও চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। এই সন্দৰ্ভত হাস্পতালখনৰ চিকিৎসকে সদৰী কৰা মতে মৃত অৱস্থাতে ছোৱালীজনীক হাস্পতাললৈ অনা হৈছিল। গছজোপা তেওঁৰ ওপৰত উভালি পৰাৰ বাবেই ডিঙিৰ সংযোগী ৰাজহাড় সম্পূৰ্ণভাৱে ভাঙি যোৱাৰ বাবেই তেওঁৰ মৃত্যু হৈছিল। কঁকালৰ হাড় সম্পূৰ্ণৰূপে ভাঙি যোৱা বুলি তেওঁ লগতে কয়। আনহাতে ঘটনাটোত আহত জ্যোতিৰ্ময় মহন সম্প্ৰতি সুস্থ অৱস্থাত আছে বুলি জানিব পৰা গৈছে।

# এআইৰ দ্বাৰা ৭৫ ছাত্ৰী

জৰিয়তে মৰ্ফ কৰি নগ্নৰূপত টেলিগ্ৰাম এপত মেলি দি ধন ঘটাৰ আহিলা হিচাপে গ্ৰহণ কৰাও পৰিলক্ষিত হয়। কেৱল টেলিগ্ৰাম এপতে নহয় ইনষ্টাগ্ৰাম আদি সামাজিক মাধ্যমযোগেও অভিযুক্ত ছাত্ৰকেইজনে এই মৰ্ফ কৰা দীপফেক অশ্লীল ফটোসমূহ এৰি দিয়ে। এই ঘটনাৰ কথা বিদ্যালয় কৰ্তৃপক্ষই ৰৰ জুনৰ দিনা অৱগত হোৱাৰ পিছত বিষয়টোক লৈ অভিযুক্ত ছাত্ৰকেইজনৰ বিৰুদ্ধে বিহিত কাৰ্যব্যৱস্থা গ্ৰহণ কৰে। বিদ্যালয় কৰ্তৃপক্ষই অভিযুক্ত ছাত্ৰকেইজনক ইতিমধ্যে বিদ্যালয়খনৰ পৰা নিলম্বন কৰাৰ কথা ঘোষণা কৰিছে আৰু বিষয়টো চাইল্ড এবিউজ মনিট'ৰিং কমিটীলৈ তদন্তৰ বাবে প্ৰেৰণ কৰিছে। আনহাতে সমগ্ৰ বিষয়টোক লৈ কৰ্তৃপক্ষই তদন্তৰ বাবে আৰক্ষীৰ অপৰাধ শাখাতো এক গোচৰ ৰুজু কৰিছে।

# দিল্লীত মুখ্যমন্ত্ৰী ড° শৰ্মাক

সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত সুস্মিতা দেৱে কয়- ৰাজ্যসভাৰ সাংসদৰ লগতে তৃণমূল কংগ্ৰেছৰ পৰাও মই আজি পদত্যাগ কৰিছোঁ। এই বিষয়ে মই অতি সোনকালে সবিশেষ অৱগত কৰিম। দল ত্যাগ কৰিলেও ৰাজনীতিৰ পৰা মই সন্যাস নলওঁ। ৰাজনীতি কৰাৰ বহু উপায় আছে। মই এতিয়া অসমৰ জনতাৰ সেৱা কৰিব বিচাৰোঁ। ইফালে তৃণমূল কংগ্ৰেছৰ পৰা পদত্যাগ কৰাৰ পিছতে বিজেপিত যোগদান নিশ্চিত কৰি নতুন দিল্লীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰে নেত্ৰগৰাকীয়ে। দীঘলীয়া সময় মুখ্যমন্ত্ৰী ড° শৰ্মাৰ সৈতে আলোচনাত মিলিত হোৱা সুস্মিতা দেৱে মুখ্যমন্ত্ৰীৰ প্ৰশংসাতো পঞ্চমুখ হৈ পৰে। মুখ্যমন্ত্ৰীৰ সৈতে হোৱা এই সাক্ষাৎ সৌজন্যমূলক বুলি উল্লেখ কৰি সুস্মিতা দেৱে সংবাদ মাধ্যমৰ আগত কয়- ইয়াৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মা এগৰাকী পথ প্ৰদৰ্শক, একেবাৰে আপোন মানুহ। সুস্মিতা দেৱে কয়- দাদা মোৰ গাইড। দাদাৰ পৰা মই পৰামৰ্শ ল'বলৈ আহিছিলোঁ। যিহেতু মই ৰাজনীতিত থাকিম, গতিকে তেওঁৰ পৰা মই পৰামৰ্শ ল'বলৈ আহিছোঁ। দাদাৰ সৈতে মোৰ বহু পুৰণি সম্পৰ্ক আছে, তেওঁৰ সৈতে মই একেলগে কামো কৰিছিলোঁ। মন কৰিবলগীয়া যে ২০১৯ চনৰ লোকসভা নিৰ্বাচনত পৰাজয়ৰ পিছতে কংগ্ৰেছ এৰি তৃণমূল কংগ্ৰেছত যোগ দিছিল সুস্মিতা দেৱে। তৃণমূল কংগ্ৰেছৰ ৰাজ্যসভাৰ সাংসদ মানৰ ভুঞাক মমতা বেনাৰ্জীয়ে তেওঁৰ মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰাৰ পাছত খালী হোৱা আসনখনত প্ৰাৰ্থিত্ব দিছিল সুস্মিতা দেৱক। এই অনুসৰিয়ে প্ৰথমবাৰৰ বাবে পশ্চিমবংগৰ পৰা ৰাজ্যসভালৈ নিৰ্বাচিত হয় সুস্মিতা দেৱ। ২০২৪ চনত পুনৰ দ্বিতীয়টো কাৰ্যকালৰ বাবেও মমতা বেনাৰ্জীয়ে তেওঁক ৰাজ্যসভালৈ প্ৰেৰণ কৰে। এনে অৱস্থাৰ মাজতে কাৰ্যকালৰ চাৰিটা বছৰ বাকী থকা অৱস্থাত হঠাৎ সাংসদ পদৰ পৰা পদত্যাগ কৰে সুস্মিতা দেৱে।

# ৰাজ্যৰ চাহ বাগিচা

আন বিদ্যালয়ৰ সৈতে সংযোগ কৰি দিয়াৰ ফলত একাংশ ছাত্ৰ-ছাত্ৰীৰ যাতায়াতত সমস্যাৰ কথা বহু অভিভাৱকে উত্থাপন কৰিছিল। এই অভিযোগ পৰীক্ষা কৰাৰ অন্তত পৰিলক্ষিত হৈছিল যে নিৰ্দিষ্ট কিছুমান অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়লৈ অহাৰ ক্ষেত্ৰত যাতায়াতৰ সমস্যাত ভোগে। সেয়েহে বিষয়টোত গুৰুত্ব প্ৰদান কৰি পৰীক্ষামূলকভাৱে এই আঁচনি গ্ৰহণ কৰা হৈছে। পৰীক্ষামূলক এই আঁচনিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়া পৰিবহণৰ সুবিধা দিয়া হ'ব। এই লক্ষ্যৰে বুধবাৰৰ পৰা প্ৰায় ১০ হাজাৰ বিনামূলীয়াকৈ বাছেৰে বিদ্যালয়লৈ অনা-নিয়া কৰা আৰম্ভ হ'ব। মূলতঃ চাহ বাগিচা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক যাতায়াতৰ ক্ষেত্ৰত এই বিনামূলীয়া পৰিবহণ ব্যৱস্থা যথেষ্ট সুবিধাজনক হ'ব। এই আঁচনিখনক কিদৰে শিক্ষাৰ্থী তথা অভিভাৱকে আদৰি লয় তাৰ ওপৰত নিৰ্ভৰ কৰি ভৱিষ্যতে আঁচনিখনৰ সময়সীমা বৃদ্ধি কৰা হ'ব।

# ৰাজ্যত পুনৰ আৰম্ভ হ'ব

পূৰণ কৰাৰ ক্ষেত্ৰত বিভাগে এইবাৰ কিমানসংখ্যক শিক্ষকে অৱসৰ গ্ৰহণ কৰিব সেই বিষয়টোতো গুৰুত্ব দিব। দৰাচলতে নিযুক্তিৰ বিজ্ঞাপন প্ৰকাশ হোৱাৰ পৰা নিযুক্তি লাভ কৰালৈ এক দীঘলীয়া সময়ৰ প্ৰয়োজন হয়। এই সময়ছোৱাতো বহু লোকে অৱসৰ গ্ৰহণ কৰে আৰু বহু পদ খালী হৈ পৰে। সেয়েহে ২০২৭ চনৰ ৩১ মাৰ্চৰ ভিতৰত কিমান পদ খালী হ'ব সেই দিশটোত নজৰ দিয়া হ'ব। যাতে খালী হোৱা পদসমূহ সঠিকভাৱে পূৰণ হয় তাৰ বাবে্ৰ মাৰ্চৰ দিনটোক লৈ গুৰুত্ব আৰোপ কৰা হৈছে। ইফালে নতুন শিক্ষাবৰ্ষৰ এমাহ উকলি যোৱাৰ পাছতো বহু বিদ্যালয়ে বিনামূলীয়া পাঠ্যপুথি লাভ নকৰা বুলি উত্থাপিত হৈ থকা অভিযোগৰ প্ৰসংগত শিক্ষামন্ত্ৰীগৰাকীয়ে কয় যে এখন বিদ্যালয়ক কিমানসংখ্যক বিনামূলীয়া পাঠ্যপুথিৰ প্ৰয়োজন হ'ব তাৰ তথ্য ব্লক আৰু জিলা কাৰ্যালয়সমূহৰ পৰা সংগ্ৰহ কৰা হয়। সেই অনুসৰিয়েই পাঠ্যপুথিসমূহ বিতৰণ কৰা হয়। শেহতীয়াকৈ পাঠ্যপুথি লাভ নকৰা বুলি যি অভিযোগ উঠিছে, সেই বিষয়সমূহ পৰীক্ষা কৰা হৈছে। দেখা গৈছে যে বহু বিদ্যালয়ে শিক্ষাসেতুৰ জৰিয়তে দিবলগীয়া তথ্য সঠিকভাৱে দিয়া নাই। ব্লক আৰু জিলা কাৰ্যালয়সমূহৰ পৰা তথ্যৰ ক্ষেত্ৰত দেখা গৈছে যে বেলেগ বেলেগ মাধ্যমৰ বিদ্যালয়ৰ বাবে পাঠ্যপুথি প্ৰদানৰ বিষয়টো ৰৈ গৈছে। তদুপৰি আধুনিক ভাৰতীয় ভাষা এখন বিদ্যালয়ৰ কিমানসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰে সেই সংখ্যাও শিক্ষাসেতুত উল্লেখ কৰা নাই। যাৰ বাবে বিনামূলীয়া পাঠ্যপুথি বিতৰণৰ ক্ষেত্ৰত এই আহুকালে দেখা দিছে। বিভাগে সেয়েহে থিৰাং কৰিছে যে প্ৰতিজন ছাত্ৰ বা ছাত্ৰীৰ আধুনিক ভাৰতীয় ভাষা কি, ঐচ্ছিক বিষয় কি এই গোটেইখিনি তথ্য এতিয়াৰ পৰা বিদ্যালয়সমূহে শিক্ষাসেতু এপত আপলোড কৰিব লাগিব। বিভাগে অহা বৰ্ষৰ পৰা কিমানসংখ্যক পাঠ্যপুথি লাগে তাৰ তথ্য নিবিচাৰে। বিদ্যালয়সমূহে ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰয়োজনীয় পাঠ্যপুথিৰ সংখ্যা শিক্ষাসেতু এপত সঠিকভাৱে উল্লেখ কৰিব লাগিব। সেই অনুসৰিয়েই পাঠ্যপুথি প্ৰেৰণ কৰা হ'ব। অৰ্থাৎ এখন বিদ্যালয়ৰ প্ৰধান শিক্ষকে তেওঁৰ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ বাবে কি পাঠ্যপুথিৰ প্ৰয়োজন, কিমানসংখ্যক পাঠ্যপুথিৰ প্ৰয়োজন সেয়া শিক্ষাসেতু এপত দিব লাগিব আৰু সেই তথ্য অনুসৰিয়ে বিনামূলীয়া পাঠ্যপুথি যোগান ধৰা হ'ব। উল্লেখ্য যে জনতা ভৱনত বিনামূলীয়া পাঠ্যপুথি সম্পৰ্কীয় ৰাজ্যিক পৰ্যায়ৰ সবলীকৃত সমিতিৰ সদস্যসকলৰ সৈতে শিক্ষামন্ত্ৰী ডাঃ পেগুৱে এক বৈঠক অনুষ্ঠিত কৰে। এই বৈঠকত ২০২৭-২৮ শিক্ষাবৰ্ষ আৰু ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে বিনামূলীয়া পাঠ্যপুথিৰ কাগজ ক্ৰয়, মুদ্ৰণ, পৰিবহণ আৰু বিতৰণ সম্পৰ্কীয় গুৰুত্বপূৰ্ণ বিষয়সমূহ আলোচনা কৰা হয়। এই বৈঠকতে বিভিন্ন কাৰ্যসূচীৰ সময়সীমা, ইউ-ডাইচ, শিক্ষাসেতু, দৰ্পণ প'ৰ্টেলৰ জৰিয়তে নামভৰ্তিৰ তথ্য ব্যৱস্থাপনা, প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ বাবে প্ৰয়োজনীয় বিত্তীয় সাহায্য, নতুনকৈ প্ৰৱৰ্তন কৰা পাঠ্যপুথিসমূহৰ মুদ্ৰণ ব্যয় আৰু পাঠ্যপুথিৰ সহজলভ্যতা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে ই-বুক তথা অন্যান্য ডিজিটেল পদক্ষেপসমূহৰ দিশতো আলোচনা কৰা হয়।

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ

কৰে। তেওঁৰ মতে, উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি প্ৰধানমন্ত্ৰী মোদীৰ দৃষ্টিভংগীয়ে লাখ লাখ মানুহৰ মনত আত্মবিশ্বাস জগাই তুলিবলৈ সহায় কৰিছে তথা প্ৰত্যাহ্বানৰ সৈতে জড়িত থকা অঞ্চলটোৰ পৰিচয় সলনি কৰি ইয়াৰ শক্তি আৰু সম্ভাৱনীয়তাক স্বীকৃতি প্ৰদান কৰিছে। দেশৰ ভিতৰত প্ৰথম ৰাজ্য হিচাপে অসমে জিএছটি অনুমোদন কৰাৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে 'এ ফৰ আছাম' বুলি কৰা মন্তব্যই ৰাইজৰ হৃদয় স্পৰ্শ কৰি গৈছিল। অসমৰ সৈতে প্ৰধানমন্ত্ৰী মোদীৰ এক অনন্য ব্যক্তিগত সম্পৰ্কৰ কথা উল্লেখ কৰি তেওঁ কয় যে প্ৰধানমন্ত্ৰী হিচাপে নিজৰ কাৰ্যকালত মোদীয়ে ৩৬বাৰ অসম ভ্ৰমণ কৰিছে, যিটো তেওঁৰ পূৰ্বসূৰীসকলৰ ভিতৰত সৰ্বাধিক। প্ৰধানমন্ত্ৰী মোদীৰ প্ৰতিটো ভ্ৰমণেই এই বাৰ্তাই প্ৰদান কৰিছিল যে অসমৰ ভৱিষ্যৎ আৰু আশা-আকাংক্ষা দেশৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ। প্ৰধানমন্ত্ৰী মোদীয়ে অসমীয়া পৰিচয়ক ধাৰাবাহিকভাৱে প্ৰসাৰ কৰাৰ কথা, বিশেষকৈ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় মঞ্চত পৰম্পৰাগত ফুলাম গামোচা সঘনাই ব্যৱহাৰ কৰাৰ কথাও পত্ৰখনত উল্লেখ কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে অসমৰ চহকী সাংস্কৃতিক পৰম্পৰাক অভূতপূৰ্বভাৱে ৰাষ্ট্ৰীয় আৰু গোলকীয় পৰিচিতি প্ৰদান কৰাৰ কৃতিত্ব প্ৰধানমন্ত্ৰী মোদীক প্ৰদান কৰে। হাজাৰ হাজাৰ শিল্পী জড়িত থকা ঐতিহাসিক বিহু প্ৰদৰ্শন, বড়ো সম্প্ৰদায়ৰ বাগৰুম্বা নৃত্যৰ স্বীকৃতি আৰু ঝুমুইৰ সংস্কৃতি উদযাপনক ৰাজ্যৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত গৌৰৱ কঢ়িয়াই অনা মুহূৰ্ত বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ মতে, প্ৰধানমন্ত্ৰী মোদীৰ উপস্থিতিত গ্ৰহণ কৰা এই পদক্ষেপসমূহে অসমৰ সাংস্কৃতিক ঐতিহ্যক এটা আঞ্চলিক ঐতিহ্যৰ পৰা ৰাষ্ট্ৰীয় সম্পত্তিলৈ উন্নীত কৰিছে। প্ৰধানমন্ত্ৰী মোদীৰ কাজিৰঙা ভ্ৰমণৰ কথাও সুঁৱৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিশ্ববিখ্যাত ৰাষ্ট্ৰীয় উদ্যানখনত এৰাতি কটোৱা একমাত্ৰ প্ৰধানমন্ত্ৰী হৈছে মোদী। তেওঁৰ কাজিৰঙা ভ্ৰমণে অসমৰ অন্যতম আপুৰুগীয়া প্ৰাকৃতিক সম্পদৰ প্ৰতি বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। পত্ৰখনত প্ৰধানমন্ত্ৰী মোদীৰ কাৰ্যকালত আৰ্জিত কেইবাটাও মাইল ষ্টোনৰ কথাও উল্লেখ কৰা হৈছে। যাৰ ভিতৰত আছে চৰাইদেউ মৈদামে লাভ কৰা ইউনেস্কোৰ বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি, অসমীয়াক প্ৰদান কৰা ধ্ৰুপদী ভাষাৰ মৰ্যাদা আৰু আহোম সেনাপতি লাচিত বৰফুকনক প্ৰদান কৰা ৰাষ্ট্ৰীয় স্বীকৃতি। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ মতে, এই সাফল্যসমূহে অসমৰ সাংস্কৃতিক পৰিচয় শক্তিশালী কৰাৰ লগতে বহুপ্ৰত্যাশিত স্বীকৃতি সুনিশ্চিত কৰিবলৈ সক্ষম হৈছে। আনহাতে অৰ্থনৈতিক প্ৰগতিৰ ওপৰত আলোকপাত কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে জাগীৰোডত থকা ২৭,০০০ কোটিটকীয়া টাটা ছেমিকণ্ডাক্টৰ ফেচিলিটী, বাঁহভিত্তিক বায়'-ৰিফাইনেৰী প্ৰকল্প আৰু নুমলীগড় শোধনাগাৰক ৯ এম এম টি পি এলৈ সম্প্ৰসাৰণ কৰাৰ দৰে বৃহৎ বিনিয়োগৰ কথা আঙুলিয়াই দিয়ে। ছেমিকণ্ডাক্টৰ প্ৰকল্পটোক মুখ্যমন্ত্ৰীয়ে এক যুগান্তকাৰী সাফল্য হিচাপে অভিহিত কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই মোদীৰ নেতৃত্বত আন্তঃগাঁথনি পৰিৱৰ্তনৰ কথা ব্যক্ত কৰি লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ নতুন টাৰ্মিনেল আৰু ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা দলং, নতুন কৰিড'ৰ, ব্ৰহ্মপুত্ৰৰ তলেৰে সুৰংগ নিৰ্মাণৰ জৰিয়তে যাতায়াত ব্যৱস্থাৰ দ্ৰুত সম্প্ৰসাৰণৰ কথা উল্লেখ কৰে।

# অসম-নাগালেণ্ডৰ মাজত

অমিত শ্বাহ, নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ' আৰু কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীৰ উপস্থিতিত কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ত এই নিৰ্ণায়ক চুক্তিখন সম্পন্ন হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ মতে, এই চুক্তিখনে অঞ্চলটোৰ অনাবৃত সম্ভাৱনাক উন্মোচন কৰাৰ ক্ষেত্ৰত এক নিৰ্ণায়ক অগ্ৰগতিৰ সূচনা কৰিছে । চিনাক্ত কৰা অঞ্চলটোৱে হাইড্ৰ'কাৰ্বন অন্বেষণ আৰু খনিজ সম্পদ নিষ্কাশনৰ বাবে উল্লেখযোগ্য সুযোগ প্ৰদান কৰিব বুলি আশা কৰা হৈছে, যাৰ ফলত দেশৰ দীৰ্ঘম্যাদী শক্তিৰ প্ৰয়োজনীয়তাত অৰিহণা যোগাব পৰা হ'ব । মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই ঐতিহাসিক চুক্তিৰ ফলত অসম আৰু নাগালেণ্ডৰ সীমান্তৱৰ্তী অঞ্চলৰ ১, ০০০ বৰ্গ কিলোমিটাৰতকৈও অধিক এলেকাত থকা তেল, গেছ আৰু খনিজ সম্পদৰ অন্বেষণ তথা উৎপাদনৰ নতুন দুৱাৰ মুকলি কৰিব। য'ত পূৰ্বৰে পৰা বৃহৎ পৰিমাণৰ শক্তি সংৰক্ষিত হৈ থকাৰ সম্ভাৱনা আছে। এই পদক্ষেপে উত্তৰ-পূৰ্বাঞ্চলক মূল চালিকাশক্তি হিচাপে লৈ ভাৰতক শক্তিখণ্ডত স্বাৱলম্বী কৰি তোলাৰ যাত্ৰাত এক নতুন গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে বিকশিত আৰু সুৰক্ষিত ভাৰত গঢ়াৰ পথত বাধা হৈ থকা বহুদিনীয়া তথা জটিল সমস্যাসমূহ সমাধান কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ দৃঢ়প্ৰতিজ্ঞ আৰু এই চুক্তি তাৰে এক অন্যতম প্ৰমাণ। ইয়াৰ সৈতে সমগ্ৰ উত্তৰ-পূব অৰ্থাৎ 'অষ্টলক্ষ্মী' অঞ্চলৰ বাবে এক নতুন যুগৰ আৰম্ভণি ঘটিল বুলিও তেওঁ মন্তব্য কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দিশ নিৰ্দেশনাত সম্পাদিত এই চুক্তিৰ লক্ষ্য হৈছে অসম-নাগালেণ্ড সীমান্তৱৰ্তী ১, ০০০ বৰ্গ কিলোমিটাৰৰো অধিক অঞ্চলত অনুসন্ধান আৰু উৎপাদনমূলক কাৰ্যকলাপ সহজ কৰি তোলা। এই অঞ্চলত অন্যান্য শক্তি আৰু খনিজ সম্পদৰ ভঁৰাল থকাৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে। এই সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে কয়- তেল অন্বেষণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ, অসম আৰু নাগালেণ্ডৰ মাজত হোৱা ত্ৰিপাক্ষিক বুজাবুজি চুক্তিয়ে দৈনিক ১, ০০০-১, ৫০০ বেৰেল তেল উৎপাদনৰ ক্ষমতা ১০ গুণ পৰ্যন্ত বৃদ্ধি কৰাৰ সম্ভাৱনা কঢ়িয়াই আনিছে। তেওঁ লগতে কয় যে, ১/২ খন ৰাজ্যক বাদ দি অহাবৰ্ষৰ ভিতৰত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৰা সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন বা 'আফচপা' প্ৰত্যাহাৰ কৰা হ'ব। আফচপাৰ পৰিসৰ হ্ৰাস পোৱাটো অঞ্চলটোত শান্তি ঘূৰি অহাৰ এক ডাঙৰ সংকেত।

# প্ৰধানমন্ত্ৰী মোদীৰ

একেলগে কাম কৰি দেশক প্ৰগতিৰ দিশত লৈ যাবলৈ সক্ষম হ'ব। ভাষণ প্ৰসংগত তেওঁ লগতে দেশৰ যুৱপ্ৰজন্মৰ বাবে এক সঠিক পৰিৱেশ সৃষ্টি কৰাৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে মানসম্পন্ন শিক্ষা, উদ্যোগমুখী, দক্ষতা বিকাশ আৰু নতুন কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাটোৱেই চৰকাৰৰ মূল লক্ষ্য হোৱা উচিত। কাৰণ সবল যুৱপ্ৰজন্মই হ'ব বিকশিত ভাৰত যাত্ৰাৰ আটাইতকৈ ডাঙৰ শক্তি। তদুপৰি বিভিন্ন দেশৰ সৈতে স্বাক্ষৰিত হোৱা মুক্ত বাণিজ্য চুক্তিৰ প্ৰসংগ উত্থাপন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে লগতে কয় যে ইয়াৰ ফলত দেশৰ ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ (এমএছএমই) খণ্ডৰ বাবে বিশ্বৰ দুৱাৰ মুকলি হৈছে। ইফালে নাৰী নেতৃত্বাধীন উন্নয়নক 'বিকশিত ভাৰত'ৰ আধাৰশিলা হিচাপে অভিহিত কৰি তেওঁ কয় যে কৃষি আৰু ষ্টাৰ্টআপৰ পৰা আদি কৰি বিজ্ঞান আৰু উদ্ভাৱনলৈকে প্ৰতিটো ক্ষেত্ৰতে দেশৰ নাৰীশক্তিয়ে অভাৱনীয় অৱদান আগবঢ়াইছে। সেয়েহে ৰাজ্যসমূহে মহিলাৰ শিক্ষা, সুৰক্ষা আৰু আত্মনিৰ্ভৰশীলতাক অগ্ৰাধিকাৰ দিয়া উচিত। এইবাৰৰ বৈঠকৰ মূল বিষয়বস্তু হৈছে 'বিকশিত ভাৰত-২০৪৭'ৰ বাবে সৰ্বাংগীণ মানৱ উন্নয়ন। ইয়াৰ উদ্দেশ্য হৈছে বয়স, অঞ্চল, লিংগ বা আৰ্থ-সামাজিক বৈষম্য আঁতৰাই ভাৰতীয় সামগ্ৰী বিকাশ সুনিশ্চিত কৰা। এই লক্ষ্য চাৰিটা মূল স্তম্ভৰ ওপৰত প্ৰতিষ্ঠিত। সেয়া হৈছে ভৱিষ্যতৰ বাবে উপযোগী শিক্ষা আৰু দক্ষতা বিকাশ, উৎপাদনশীল নিয়োগ আৰু বিকেন্দ্ৰীভূত আৰ্থিক বৃদ্ধি, উন্নত স্বাস্থ্য, পুষ্টি আৰু সামগ্ৰিক কল্যাণ আৰু সমাজৰ সকলো শ্ৰেণীৰ বাবে সমতা আৰু মৰ্যাদা। বৈঠকত দেশজুৰি নতুন উদ্যোগ সৃষ্টি, বহনক্ষম কৰ্মসংস্থাপন আৰু ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি ব্যৱহাৰ কৰি কেনেকৈ প্ৰশাসনক অধিক স্বচ্ছ কৰিব পৰা যায়, সেই সন্দৰ্ভতো বিশদ পৰিকল্পনা যুগুত কৰা হয়। বৈঠকত দেশৰ ২৮খন ৰাজ্যৰ মুখ্যমন্ত্ৰী, কেন্দ্ৰীয়শাসিত অঞ্চলৰ উপ-ৰাজ্যপাল আৰু কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ জ্যেষ্ঠ সদস্যসকল উপস্থিত থাকে।

# ১৮ বছৰৰ ঊৰ্দ্ধৰ লোকে নাপাব

১২৫ দিনৰ বাবে গাঁৱৰ ৰাইজক নিশ্চিত নিয়োগৰ সুবিধা প্ৰদান কৰা হ'ব আৰু ইয়াৰ বাবে চলিত বৰ্ষত ৰাজ্যত ২, ০০০ কোটি টকা ব্যয় কৰা হ'ব। যাৰ ফলত প্ৰতিখন পঞ্চায়তে গড়ে প্ৰায় ১ কোটি টকাকৈ লাভ কৰিব। কেবিনেটে গুৱাহাটী মহানগৰৰ উন্নয়নৰ বাবে বিমানবন্দৰৰ সমীপৱৰ্তী অঞ্চলত নতুন ছেটেলাইট চিটী নিৰ্মাণ কৰাৰ উদ্দেশ্যে গুৱাহাটী ছেটেলাইট চিটী ডেভেলপমেন্ট অথ'ৰিটা গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই প্ৰাধিকৰণখন জিএমডিএৰ এলেকাৰ ভিতৰত আবদ্ধ থাকিব। কেবিনেট বৈঠকত আইএএছ বিষয়াসকলৰ ডেপুটেচনৰ ক্ষেত্ৰত গ্ৰহণ কৰে এক বিশেষ সিদ্ধান্ত। সেই অনুসৰি ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়াসকলে নিৰ্দিষ্ট সময় সম্পূৰ্ণ হোৱাৰ আগতে প্ৰি-মেচিউৰ ডেপুটেচনৰ বাবে আবেদন কৰিলে পূৰ্বৰ মুখ্যমন্ত্ৰীৰ একক অনুমোদন সলনি কৰি এতিয়াৰে পৰা কেইবাটাও চৰ্তসাপেক্ষে ৰাজ্যিক কেবিনেটেহে এই আবেদনসমূহ মঞ্জুৰ কৰিব পাৰিব। জাপানৰ প্ৰধানমন্ত্ৰী সম্ভাৱনীয় অসম ভ্ৰমণ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয়, "১, ২ আৰু ৩ জুলাইত গুৱাহাটীত এগৰাকী বিশেষ অতিথিৰ আগমণৰ সম্ভাৱনা আছে । প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰো অসম ভ্ৰমণৰ সম্ভাৱনা আছে। সেই বিষয়টো লৈ মহানগৰখনক কিদৰে সাজু কৰা হ'ব তাকলৈ কেবিনেটত আলোচনা কৰা হয়। কিন্তু ভ্ৰমণটো এতিয়ালৈকে এশ শতাংশ নিশ্চিত নহয় বাবে সবিশেষ এতিয়াই জনাব বিচৰা নাই। তথাপি প্ৰস্তুতি আজিৰে পৰা ৰাজ্য চৰকাৰে আৰম্ভ কৰিব । আমি গুৱাহাটীবাসী ৰাইজৰ সহযোগিতা বিচাৰিম। কেবিনেটে অহা ৬ জুলাইৰ পৰা আহ্বান কৰা অসম বিধানসভাৰ বাজেট অধিৱেশনৰ বিষয়েও আলোচনা কৰে। এই অধিৱেশন ২১ দিনতকৈও অধিক সময় চলিব আৰু ইয়াতে বিত্তমন্ত্ৰীয়ে ২০২৬-২৭ চনৰ পূৰ্ণাংগ বাজেট দাখিল কৰিব। বাজেট গৃহীত হোৱাৰ পাছতে অহা আগষ্ট মাহৰ পৰা চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক আঁচনিসমূহ ৰাইজৰ বাবে পুনৰ আৰম্ভ কৰা হ'ব।

# জুবিনৰ চৰিত্ৰ হননকাৰীক

যে জুবিনে অকল গান গোৱা নাছিল। তেওঁ গান লিখিছিল, সুৰ কৰিছিল, চিনেমা বনাইছিল। অন্যান্য বহু কাম তেওঁ কৰিছিল। সমাজৰ বাবে কাম কৰা জুবিনে প্ৰকৃতিৰ বাবেও কাম কৰিছিল। ইমানবোৰ কাম এগৰাকী ৫২ বছৰীয়া লোকৰ জীৱনত কোনো কাৰণতে সম্ভৱ নহয়। কিন্তু তেওঁ কৰিছিল। যিমানখিনি কাম জীয়াই থকালৈকে তেওঁ কৰিলে, বহু মানুহে ৯০-১০০ বছৰ জীয়াই থাকিও কৰিব নোৱাৰে। সেইখিনি প্ৰমাণ ইতিমধ্যে তেওঁ দি থৈ গৈছে। তাৰ পাছতো পৰ্যালোচনা কৰাৰ কিবা ভিত্তি আছে জানো? আদালতৰ প্ৰতি আস্থা প্ৰকাশ কৰি আৱেগিকভাৱে গৰিমাই কয় যে সকলো প্ৰক্ৰিয়া এতিয়ালৈকে ভালদৰে চলি আছে। সাক্ষ্য প্ৰমাণৰ যোগেদি সত্য কথাটো আদালতত প্ৰতিষ্ঠা হওক আৰু দোষীয়ে কঠোৰৰ পৰা কঠোৰতম শাস্তি লাভ কৰক। সেয়াই আমাৰ কামনা। চলি থকা বিচাৰ প্ৰক্ৰিয়াত বৰ্তমানলৈকে ৰছজনকৈ সাক্ষীৰ সাক্ষ্য আদালতে গ্ৰহণ কৰিছে। ইয়াৰ পাছতো য়টখনত থকা ছিংগাপুৰৰ প্ৰৱাসী অসমীয়াকেইজনক বিচাৰ প্ৰক্ৰিয়ালৈ পুনৰ মতা হ'বনে নাই বুলি সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত গৰিমাই কয় যে প্ৰথমৰ পৰাই কৈ আহিছোঁ আমাৰ দৃষ্টিত য়টখনত থকা প্ৰতিজনেই দোষী। আইনে কি ব্যৱস্থা লয় আমি নাজানোঁ আমাৰ চকুত তেওঁলোক সদায়েই দোষী। আইনী ব্যৱস্থাৰ ওপৰত আমাৰ অটুট বিশ্বাস আছে। আনহাতে বিশেষ ন্যায়াধীশৰ আদালতত আয়বহিৰ্ভূত সম্পত্তিৰ গোচৰত অভিযুক্ত হৈ জামিন আবেদন কৰা জুবিন গাৰ্গৰ দুই চৰকাৰী দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্য সন্দৰ্ভতো মন্তব্য প্ৰকাশ কৰে গৰিমা শইকীয়া গাৰ্গে। তেওঁ কয় যে জুবিনৰ মৃত্যুৰ পিছত মোৰ লগত প্ৰায়ে আছিল নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্য। সিহঁতে মোক কেতিয়াও কোৱা নাছিল তেওঁলোকৰ একাউণ্টত জুবিনৰ ধন থকা বুলি। জুবিনৰ ৰেকৰ্ডিঙৰ সময়ত যিমান পইচা আহে, গ্ৰাহকে তেওঁলোকৰ তাত দিছিল, নহ'লে ইউপিআই যোগেদি দিছিল। এই কথাবোৰ মোক তেওঁলোকে জনোৱা নাছিল। যাৰ বাবে মৃত্যুৰ পিছত এছআইটিয়ে চলোৱা তদন্তত তেওঁলোকৰ একাউণ্টত অহা সকলো ধনৰ লেনদেন ধৰা পৰিছিল। ইফালে ন্যায় ব্যৱস্থাৰ ওপৰত আস্থা থকা বুলি পুনৰ উল্লেখ কৰি গৰিমা শইকীয়া গাৰ্গে কয়, ন্যায় ব্যৱস্থাৰ ওপৰত আশা আছে । তাৰ বাহিৰে অন্য উপায়ো নাই । আশা কৰিছোঁ অসমৰ ন্যায় ব্যৱস্থাই জুবিনক কেতিয়াও গাফিলতি নকৰে । যি ন্যায় হ'ব লাগে আমি পামেই ।

# ৰাজ্যৰ পাঁচগৰাকী শিল্পীলৈ

৬গৰাকী শিল্পীয়ে বিভিন্ন ক্ষেত্ৰত ওস্তাদ বিছমিল্লাহ খান যুৱ পুৰস্কাৰ লাভ কৰি ৰাজ্যখনলৈ সুনাম কঢ়িয়াই আনিছে। সংগীত নাটক একাডেমী কৰ্তৃপক্ষই ঘোষণা কৰা অনুসৰি ২০২৪-২৫ বৰ্ষৰ সংগীত নাটক একাডেমী বঁটা লাভ কৰিছে ক্ৰমে যশস্বী অভিনেত্ৰী চেতনা দাস, সত্ৰীয়া নৃত্যশিল্পী ড° মল্লিকা কন্দলি, ভাস্কৰজ্যোতি ওজা, প্ৰেম ওজা বৰবায়ন আৰু নৃত্যশিল্পী বিপুল চন্দ্ৰ দাসে। আনহাতে বিভাগীয় কৰ্তৃপক্ষই ঘোষণা কৰা অনুসৰি সত্ৰীয়া নৃত্যশিল্পী মীনাক্ষি দাস, লোকসংগীত শিল্পী দিলীপ হীৰা, নগাঁও জিলাৰ নঁৈ অঞ্চলৰ প্ৰতিভাৱান নাট পৰিচালক বিদ্যুৎ কুমাৰ নাথ, সত্ৰীয়া নৃত্যশিল্পী নিৰঞ্জন শইকীয়া বৰবায়ন, খোলবাদক দেৱজিৎ শইকীয়া আৰু টোকাৰী গীতৰ শিল্পী হীৰকজ্যোতি শৰ্মাই ওস্তাদ বিছমিল্লাহ খান যুৱ পুৰস্কাৰ বঁটা লাভ কৰিছে। ১৯৫৪ চনৰ ৪ নৱেম্বৰত শিলঙত জন্মগ্ৰহণ কৰা যশস্বী অভিনেত্ৰী চেতনা দাসক ২০২৫ বৰ্ষৰ বাবে অভিনয় ক্ষেত্ৰখনৰ সংগীত নাটক একাডেমী বঁটা প্ৰদান কৰা হৈছে। আনহাতে ড° মল্লিকা কন্দলিক ২০২৫ বৰ্ষৰ সত্ৰীয়া নৃত্যৰ ক্ষেত্ৰত সংগীত নাটক একাডেমী বঁটা আৰু ভাস্কৰজ্যোতি ওজাক সংশ্লিষ্ট ক্ষেত্ৰখনত অৱদানৰ বাবে এই বঁটা প্ৰদান কৰা হৈছে। একেদৰে ২০২৪ বৰ্ষৰ বাবে সত্ৰীয়া নৃত্য শিল্পী প্ৰেম ওজা বৰবায়ন আৰু কথক নৃত্য শিল্পী বিপুল চন্দ্ৰ দাসক সংগীত নাটক একাডেমী বঁটাৰে সন্মানীত কৰা হয়। ইপিনে ঘোষণা কৰা অনুসৰি ২০২৪ বৰ্ষৰ বাবে সত্ৰীয়া নৃত্য শিল্পী মীনাক্ষি মেধি, লোকসংগীত শিল্পী দিলীপ হীৰা আৰু নাট পৰিচালক বিদ্যুৎ কুমাৰ নাটক ওস্তাদ বিছমিল্লাহ খান যুৱ পুৰস্কাৰ সন্মান প্ৰদান কৰা হৈছে। একেদৰে সত্ৰীয়া নৃত্যশিল্পী নিৰঞ্জন শইকীয়া বৰবায়ন, খোলবাদক দেৱজিৎ শইকীয়া আৰু টোকাৰী গীতৰ শিল্পী হীৰকজ্যোতি শৰ্মাক ২০২৫ বৰ্ষৰ বাবে ওস্তাদ বিছমিল্লাহ খান যুৱ পুৰস্কাৰ বঁটা প্ৰদান কৰা হৈছে। উল্লেখ্য যে দেশৰ ১০৮গৰাকী শিল্পীক সংগীত নৃত্য থিয়েটাৰ, পুতলা নাচকে ধৰি সাংস্কৃতিক ক্ষেত্ৰখনত থকা অৱদানৰ বাবে সংগীত নাটক একাডেমী বঁটা আগবঢ়োৱা হৈছে। সংগীত নাটক অকাডেমী ফেল'শ্বিপৰ বাবে তিনি লাখ টকা আৰু সংগীত নাটক অকাডেমী বঁটাৰ বাবে এক লাখ টকা প্ৰদান কৰা হয়। ইয়াৰ উপৰিও এখন তাম্ৰ-পত্ৰ আৰু অংগবস্ত্ৰও প্ৰদান কৰা হয় বঁটা প্ৰাপকসকলক। উস্তাদ বিছমিল্লাহ খান যুৱ পুৰস্কাৰ লাভ কৰা সকলে পঁচিশ হাজাৰ টকাৰ উপৰিও এখন তাম্ৰ-পত্ৰ আৰু এখন অংগবস্ত্ৰ লাভ কৰে। সংগীত নাটক অকাডেমীৰ ফেল'শ্বিপ আৰু বঁটা ভাৰতৰ ৰাষ্ট্ৰপতিয়ে বিশেষ অনুষ্ঠানত প্ৰদান কৰিব।

## ENGLISH NEWS SECTION

# Governor congratulates Assam artistes on getting prestigious national honours



Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya congratulated the artistes from the state who have been selected for the prestigious Sangeet Natak Akademi Awards and the Ustad Bismillah Khan Yuva Puraskar for the years 2024 and 2025. In a statement here today, Governor Shri Acharya said that the recognition of the artistes at the national level is a matter of immense pride for Assam and reflects the richness, diversity, and enduring vitality of the state's cultural traditions. Their achievements underscore Assam's significant contribution to India's performing arts and highlight the dedication of its artistes in preserving and promoting the country's invaluable cultural heritage. Among the recipients of the Sangeet Natak Akademi Awards for 2024, Prema Oja Barbayan for Sattriya Dance and Bipul Chandra Das for Kathak Dance. For 2025, the awardees are Chetana Das for Acting, Mallika Kandali for Sattriya Dance, and Bhaskar Jyoti Oja for Sattriya Music. The recipients of the Ustad Bismillah Khan Yuva Puraskar for 2024 from Assam are Minakshi Medhi for Sattriya Dance, Dilip Hira for Folk Music, and Bidyut Kumar Nath for Theatre Direction. For 2025, the young artistes selected for this prestigious honour are Niranjan Saikia Borbayan for Sattriya Dance, Debajit Saikia for Khol Percussion, and Hirak Jyoti Sarma for Tokari Geet and Folk Music. The Governor said that the Sangeet Natak Akademi Awards and the Ustad Bismillah Khan Yuva Puraskar, conferred by the Sangeet Natak Akademi the National Academy of Music, Dance and Drama are among the highest recognitions in the field of performing arts in India. These honours acknowledge excellence, innovation, and lifelong dedication to the promotion of the nation's cultural heritage.

# Five Convicted in Separate Criminal Cases by Nagaon Court


Nagaon,RB News: The Court of Additional District and Sessions Judge No. 3, Bankim Sharma, in Nagaon has convicted five individuals in separate criminal cases after completion of trial proceedings. In a case registered at Raha Police Station (Case No. 154/2016), Dimbeswar Baishya was convicted under Sections 498A and 307 of the Indian Penal Code (IPC) and sentenced to two years' simple imprisonment along with a fine of Rs 10,000. The court directed that the fine amount, if realized, be paid to the victim. In another case registered at Nagaon Sadar Police Station (Case No. 1671/2020), Jiten Sharma was convicted under Section 436 IPC and sentenced to seven years' simple imprisonment and a fine of Rs 20,000. The court also convicted Habibur Rahman and Gulzar Hussain in connection with Nagaon Sadar Police Station Case No. 1269/2018 under relevant provisions of the IPC. Both were sentenced to three years' simple imprisonment and fined ?2,000 each. Meanwhile, in a murder case registered at Dhing Police Station (Case No. 113/2014), Zakir Hussain alias Babu was convicted under Sections 302 and 201 IPC. The court sentenced him to life imprisonment and imposed a fine of Rs10,000 for the murder charge, along with an additional three-year prison term and a fine of 75,000 under Section 201 IPC. The verdicts were delivered following the completion of trial proceedings in the respective cases.

# India defeated Afghanistan by seven wickets



RB News: India defeated Afghanistan by seven wickets in the rain-curtailed first ODI at the HPCA Stadium in Dharamsala on Saturday, taking a 1-0 lead in the three-match series. The match was reduced to 25 overs per side due to weat her interruptions. Chasing 195 runs, India overhauled the target in 22.5 overs. Indian Skipper Shubman Gill scored unbeaten 84 off 66 balls. Earlier, put into bat, Afghanistan were bowled out for 194 in 24.5 overs. Shubman Gill was adjudged player of the match. For Afghanistan, Rahmanullah Gurbaz smashed a brilliant century, scoring 102 off 51 balls. For India, debutant Harsh Dubey and Gurnoor Brar clinched three wickets each.

# Kane Williamson retires from international cricket



RB News: Former New Zealand captain and all-time leading run-scorer Kane Williamson on Friday announced his retirement from international cricket. The 35-year-old Kiwi batter has played 110 Tests, scoring 9,515 runs at an average of 54.1 with a highest score of 251. He has scored 33 centuries and 38 half-centuries in Tests.Kane Williamson made his Test debut against India in 2010. In that Indian series, he also made his ODI debut. Kane Williamson played his last ODI in October 2025 against England.He had represented Sunrisers Hyderabad and Gujarat Titans in the IPL.He played a total of 378 international games. “I've thought about it for a while, but over the last few days it's become clear now is the right time,” the former skipper said in a statement.

# Canada earn their 1st point in FIFA World Cup history



RB News: Co-hosts Canada grabbed a second-half equaliser to draw 1-1 with Bosnia and Herzegovina on Friday in the first FIFA World Cup finals game ever played on Canadian soil. Cyle Larin got Canada's goal after Jovo Lukic put Bosnia ahead with a header in the 21st minute in Toronto. The result gave Canada its first point in World Cup history. Canadian sides had a perfect record of futility at two previous tournament appearances in 1986 and 2022, with six losses.

# Indian shooting legend Jaspal Rana passes away at 49



RB News: Indian shooting legend and Olympic medallist Manu Bhaker's coach Jaspal Rana passed away at a Delhi hospital on Thursday night, NRAI confirmed. The 49-year-old had fallen ill on the flight back from the ISSF World Cup in Munich and underwent a stent procedure after landing. Rana, India's most successful Commonwealth Games athlete with 15 medals, received Dronacharya Award in 2020.

# এহাল প্ৰেমিক চৰাই



**যমুনা দুলু বৈশ্য, গুৱালকুছি**


এই নিৰিবিলি নিজান ৰাতি
জোনাকী পোহৰত আপোন পাহৰা হৈ,
চালে চকুৰোৱা হাঁহিটিৰ
স্মৃতি পটত জীৱন চাকি ।
নিবিচাৰোঁ আধুনিকতা হৃদয়ৰ
য'ত নাই দয়া মমতা আৰু মানৱতা
ক্ষন্তেকতে সলনি হয় যান্ত্ৰিকতাৰ নিজে
ভাৱৰীয়াৰ খেল খেলে
বুকুতে লুকাই ।
জীৱনৰ মাদকতাই সুকীয়া পৰিচয়ৰে----
জীৱন নাটকৰ প্ৰতিটো পৃষ্ঠা--
ঠিকনা বিহীন শব্দৰ কঠিন অৰ্থ
যি অৰ্থে বিচাৰ নকৰে,
শিৰে শিৰে মৌপিয়া হৈ ফুৰে--
সপোনৰ সুৰ য'ত শূণ্যহীনতায়ে
আবৰি থাকে, পাহাৰে-ভৈয়ামে
সুউচ্চ অট্টালিকাৰ মনোমোহা নিৰবধি--
যাত্ৰাৰে -- তোমাৰ আৰু মোৰ বহু--আশাৰে--
অনুভৱৰ হেঁপাহৰ মিঠা সোৱাদ
হৃদয়ৰ পৰা হৃদয়লৈ ৰং তুলিকাৰে
চিনাকিৰে বিচাৰি পোৱা প্ৰতিশ্ৰুতিৰ
অগণন শব্দৰ কোলাহল বন্যা,
কাৰোবাৰ ৰুক্ষ হৃদয় চুই যোৱা
এক বান্ধোন ।
আশ্বাসেৰে খোপনি পোতা
উৎকণ্ঠিত সময়ৰ আহ্বান
হেৰাই পোৱা ঠিকনা বুকুৰ বোজা
হেজাৰটা অভিযোগৰ অন্তত
হতাশাৰ হুমুনিয়াহত স্পন্দিত বৰষুণত
তিঁতি ছাঁতে শুকাই--
ভালপোৱা নৈ খনত জিৰাই
এহাল প্ৰেমিক চৰাই ।

# ভূ পৃষ্ঠৰ পৰিৱৰ্তনৰ

নদীয়ে পানীৰ ভৰ সহিব নোৱাৰি অতি বেঁকা অংশ এৰি পোনাই গতি কৰে। নদীয়ে এৰি যোৱা অংশ সাধাৰণতে ঘোঁৰাৰ খুৰা আকৃতিৰ হয়। সেই অংশত পানী জমা হৈ বিল বা হ্ৰদৰ সৃষ্টি হয়। অসমৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীয়েও নিজৰ নিজৰ গতিপথত এনে বহুতো হ্ৰদ বা বিলৰ সৃষ্টি কৰিছে। গুৱাহাটীৰ দাঁতি-কাষৰীয়া দীপৰ বিল এনেদৰেই সৃষ্টি হৈছিল। এই হ্ৰদ বা বিল সমূহে পানী ধৰি ৰাখি বানপানীৰ প্ৰাবল্য কমাই ৰখাত কিছু পৰিমাণে সহায় কৰিছে।

খনন কাৰ্যৰ যোগেদি নদীয়ে বহু পৰিমাণে গেদৰ সৃষ্টি কৰে। এই গেদসমূহ নদীয়ে কঢ়িয়াই আনোতে গতিপথৰ লগতে দুয়োপাৰ আৰু মোহনাতো জমা কৰি বিভিন্ন ধৰণৰ অৱয়বৰ সৃষ্টি কৰে। সেই বোৰ ভিতৰত নদীৰ বুকুত বালি-বোকা জমা হৈ সৃষ্টি হোৱা বালিচৰ, প্লাৱনভূমি, প্ৰাকৃতিক বান্ধ বা প্ৰাকৃতিক মথাউৰি আৰু ব-দ্বীপেই প্ৰধান। বৃহৎ নদী -দ্বীপ মাজুলী এক প্ৰকাৰৰ বালিচৰ। এনেদৰেই নদীৰ কাৰ্যই ভু-পৃষ্ঠৰ অৱয়বৰ পৰিৱৰ্তন ঘটাই আহিছে।

# আত্মজ্ঞানেৰে আপোনজনক বৃদ্ধকালত সুৰক্ষা দিয়ক- নিজৰ মানসিক অস্থিৰতা নিৰাময় কৰক



**অনামিকা (সংগীতা)কলিতা, গুৱালকুছি**

মানসিক অস্থিৰতাৰ কাৰণে বহুতো ঘটনা সংঘটিত হৈ আছে। বহুতো অমানৱীয় ঘটনাৰ মুখ্য কাৰণ আত্মজ্ঞানৰ। নিজৰ মাতৃক তিনি গৰাকী ছোৱালী থকাৰ পিছতো পদপথত পেলাই থৈ আহিল। ভাগিনৰ সম্পৰ্ক মাহীয়েকৰ, কন্যাৰ লগত বাপেকৰ অবৈধ সম্পৰ্ক। এইবোৰ বিকৃত মানসিকতাৰ সৃষ্টি হৈছে। সমাজখন কোন দিশলৈ গতি কৰিছে। নাৰীক পণ্য সামগ্ৰীৰ লগত তুলনা। আনদিশে পুৰুষ স্বীকাৰ হৈছে পত্নীৰ বৰ্বৰতাৰ যেন সকলো প্ৰতিযোগিতাত নামি পৰিছে। আইতাহতে কোৱা কথাখিনিলৈ মনত পৰিল ---ঘোৰ কলিকালৰ আৰম্ভণি।
বাতৰি কাকতখন মেলি ধৰিলেই চকু থৰ হৈ যায়। এয়া কোন দিশে গতি কৰিছে-

আধুনিকতাৰ পমখেদি যান্ত্ৰিকতাৰ যুগত মানুহবোৰ যন্ত্ৰৰ দৰেই হৈছে অলপো সময় নাথাকে নিজৰ আত্মীয় সকলৰ লগত কিছুসময় অতিবাহিত কৰিব। সুখ-দুখৰ অনুভূতিবোৰ প্ৰকাশ নকৰাৰ ফলত মনৰ মাজতে থাকি গৈছে। যাৰ ফলত মানসিক অস্থিৰতা বৃদ্ধি পাইছে। নিজৰ বিবেক বিবেচনা বিচাৰ বুদ্ধি কমি আহিছে আন্তৰিকতাৰ বিলুপ্ত ঘটিছে। ভাই-ককাইৰ মাজতো এজনে আনজনৰ সুখ-দুখৰ কথা চিন্তা কৰিবৰ সময় নেথাকে। নীতি-শিক্ষা কিতাপৰ মাজতে আৱদ্ধ হৈছে।

সকলো জীৱৰ ভিতৰতে মানুহ জীৱ শ্ৰেষ্ঠ হিচাপে ভাল/বেয়া, শুদ্ধ/অশুদ্ধ নিজৰ বিচাৰ বুদ্ধিৰে সমাজত চলিব পাৰে। বাহ্যিক সেই বিচাৰ বুদ্ধিজ্ঞানৰ অন্তৰ্ভুক্ত বুলি ক'ব পাৰো। সেই জ্ঞানৰ পৰিসীমাত মানুহ নিজে সমাজত প্ৰতিষ্ঠিত হয় বুলি আমি অনুভৱ কৰোঁ "আত্মজ্ঞান" অৰ্থাৎ প্ৰজ্ঞাৰ সাধানা মানুহৰ অন্তৰ্নিহিত শক্তি। আত্মজ্ঞানেৰে নিজৰ হৃদয় খন নিৰ্মল হয়। তাৰ পৰাই মানসিক অস্থিৰতা নিৰাময় হয়। কাৰণ আত্মজ্ঞানেৰে আমি আমাৰ নিজৰ ভিতৰত থকা প্ৰকৃত সত্য উদ্‌ঘাটন কৰিবলৈ সমৰ্থ হওঁ। গতিকে বাহ্যিক জগতত লগত পৰিচালিত হ'বলৈ জ্ঞান লাগে কিন্তু নিজৰ ভিতৰৰ প্ৰকৃতি জয় কৰি এক সন্তুষ্টিৰে জীৱন ধাৰণ কৰিবলৈ আত্মজ্ঞানৰ প্ৰয়োজন। প্ৰিয় সাহিত্যিক হোমেন বৰগোহাঞি ছাৰে "প্ৰজ্ঞাৰ সাধনা" গ্ৰন্থখনত খুব সুন্দৰ কৈ বিশ্লেষণ কৰিছে । পাৰিপাৰ্শ্বিক জীৱনৰ বাতাবৰণত আমি নিজৰ লগতে কেতিয়াবা যুদ্ধ কৰিব লগা হয়। যদি আত্মবিশ্লেষণ কৰিব পাৰি তেতিয়া নিজৰ অন্তৰ্নিহিত শক্তিৰে পৃথিৱীকো জয় কৰিব পাৰি। এখন সু-পৰিকল্পিত সমাজ আশা কৰিব পাৰি। পিতৃ-মাতৃ ঈশ্বৰৰ বৰদান, বৃদ্ধকালত তেওঁলোকৰ সুৰক্ষাৰ দায়িত্ব সন্তানৰ। সেয়া বুজা উচিত। কাৰণ সকলো এদিন বৃদ্ধ হ'ব। আজি তেওঁলোকৰ, কাইলৈ আপোনাৰ দিন আহিব।

# ডিমেন্‌চিয়া, সামাজিক সচেতনতা

অন্তৰ্ভুক্ত। ডিমেন্‌চিয়াৰ প্ৰতিটো স্তৰ সঠিকভাবে যত্ন লবলৈ উপদেশ, তথ্য আৰু সহায় লাভকৰাৰ সুযোগ সৃষ্টি কৰা। আক্ৰান্ত ব্যক্তি আৰু যত্নলোৱা সদস্যসকলক ভবিষ্যতৰ বাবে মানসিক, সামাজিক আৰু ব্যৱহাৰিকভাৱে প্ৰস্তুতি লবলৈ সহায় কৰা।

ডিমেন্‌চিয়াৰ চিকিৎসা আছে নে- বৰ্তমান সময়ত ডিমেন্‌চিয়াক সম্পূৰ্ণভাবে নিৰাময় কৰিব পৰা কোনো নিশ্চিত চিকিৎসা উপলব্ধ নাই। তথাপিও মৃদু আৰু মধ্যম পৰ্য্যায়ৰ এলঝেইমাৰ ৰোগৰ বাবে কিছুমান ঔষধ ব্যৱহাৰ কৰা হয়। এই ঔষধসমূহে ৰোগ সম্পূৰ্ণভাবে ভাল নকৰে যদি ও কিছুমান ব্যক্তিৰ ক্ষেত্ৰত ৰোগৰ অগ্ৰগতি সাময়িকভাবে মন্থৰ কৰিব পাৰে। এই সন্দৰ্ভত অধিক তথ্যৰ বাবে স্থানীয় এলঝেইমাৰ সংস্থা অথবা বিশেষজ্ঞ চিকি ৎসকৰ পৰামৰ্শ লোৱাটো উপযোগী। ঔষধৰ লগতে জ্ঞানীয় উদ্দীপনা চিকিৎসা (Cognitive Stimulation Therapy), যোগ, ব্যায়াম, মানসিক আক সামাজিক সম্পৃক্ততামূলক কাৰ্য্যসূচী আদিয়ে ডিমেনচিয়াত আক্ৰান্ত ব্যক্তিৰ জীৱনৰ মান উন্নত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

ডিমেন্‌চিয়াত আক্ৰান্ত ব্যক্তিৰ সৈতে জীৱনযাপন আৰু যত্ন- ডিমেন্‌চিয়াত আক্ৰান্ত ব্যক্তিৰ যত্ন লোৱাটো বহু সমমত অত্যন্ত কঠিন আৰু মানসিকভাৱে ক্লান্তিকৰ হব পাৰে। তথাপিও, সঠিক বুজাবুজি, সহানুভূতি আক উপযুক্ত পদ্ধতি অৱলম্বণ কৰিলে এই পৰিস্থিতিক অধিক সুসংগঠিত ভাবে পৰিচালনা কৰিব পৰা যায়। নিয়মীয়া দৈনন্দিন অভ্যাস- এক নিয়মীয়া দৈনন্দিন অভ্যাসে প্ৰতিদিন লবলগীয়া বহু সিদ্ধান্তৰ চাপ হ্ৰাস কৰে আক বিভ্ৰান্তিকৰ দৈনন্দিন জীৱনত স্থিৰতা আনে।

ব্যক্তিৰ আত্মনিৰ্ভৰশীলতা- ডিমেন্‌চিয়াত আক্ৰান্ত ব্যক্তিজনে যিমান দিন সম্ভৱ নিজে কাম কাজ সম্পাদন কৰিব পাৰে, ইয়াৰ ওপৰত গুৰুত্ব দিলে ব্যক্তিজনৰ আত্মসন্মান অক্ষুণ্ণ থাকে আৰু যত্নলোৱা ব্যক্তিৰো কিছু পৰিমাণে চাপ হ্ৰাস হয়।

**আগলৈ..**

ৰঙিলী বাৰ্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ°মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286

## ১৫ জুন মৃত্যু দিৱস উপলক্ষে



# বিয়াল্লিশৰ শ্বহীদ কুশল কোঁৱৰঃ জীৱন আৰু আত্মবলিদান

**অনিল প্ৰসাদ সিংহ,সম্পাদক,**
**শ্বহীদ কুশল কোঁৱৰ স্মৃতিৰক্ষা সমিতি, ডিব্ৰুগড়**

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত অসমৰ অৱদান উজ্জ্বল। বহু বীৰ-বীৰাংগনাই নিজৰ জীৱন উছৰ্গা কৰি দেশমাতৃক পৰাধীনতাৰ শিকলিৰ পৰা মুক্ত কৰিছিল। তেনে এগৰাকী অমৰ শ্বহীদ হ'ল কুশল কোঁৱৰ। তেওঁ হ'ল ভাৰত ত্যাগ আন্দোলনৰ সময়ত ফাঁচী বৰণ কৰা ভাৰতৰ একমাত্ৰ শ্বহীদ। গান্ধীজীৰ অহিংসা নীতিৰ একনিষ্ঠ অনুগামী কুশল কোঁৱৰে মিছা অভিযোগত প্ৰাণ আহুতি দিও সত্য আৰু দেশপ্ৰেমৰ আদৰ্শ অটুট ৰাখিছিল।

জন্ম আৰু প্ৰাথমিক জীৱনঃ ১৯০৫ চনৰ ২১ মাৰ্চত তেতিয়াৰ শিৱসাগৰ জিলা, বৰ্তমান গোলাঘাট জিলাৰ সৰুপথাৰৰ ওচৰৰ বালিজান চাৰিআলিৰ ঘিলাধাৰী মৌজাৰ এখন মধ্যবিত্ত পৰিয়ালত কুশল কোঁৱৰৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম আছিল সোণাৰাম কোঁৱৰ আৰু মাতৃৰ নাম কনকেশ্বৰী কোঁৱৰ। আন এক তথ্যমতে মাতৃৰ নাম কোঁপাহী বুলিও পোৱা যায়। তেওঁ পিতৃ-মাতৃৰ পঞ্চম সন্তান আছিল।

কুশল কোঁৱৰে বালিগাঁও প্ৰাথমিক বিদ্যালয়ত শিক্ষা আৰম্ভ কৰে আৰু পিছত গোলাঘাটৰ বেজবৰুৱা ইংৰাজী স্কুলত নামভৰ্তি কৰে। ১৯১৯ চনৰ জালিয়ানৱালাবাগৰ হত্যাকাণ্ড আৰু মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা অসহযোগ আন্দোলনৰ প্ৰভাৱে কিশোৰ কুশলৰ মনত গভীৰ ৰেখাপাত কৰিছিল। মাত্ৰ ১৭ বছৰ বয়সতে ১৯২১ চনত তেওঁ বিদ্যালয় ত্যাগ কৰি আন্দোলনত জঁপিয়াই পৰে।

কৰ্মজীৱন আৰু গান্ধীবাদৰ প্ৰতি আকৰ্ষণঃ অৰ্থনৈতিক দুৰৱস্থাৰ বাবে তেওঁলোকৰ পৰিয়াল বালিজানৰ পৰা ৰেংমাইলৈ স্থানান্তৰিত হয়। ১৯২৫ চনৰ জানুৱাৰীত তেওঁ ৰেংমাই প্ৰাথমিক বিদ্যালয় স্থাপন কৰি দুবছৰ বিনা বেতনে প্ৰধান শিক্ষকৰ দায়িত্ব পালন কৰে। আৰ্থিক অসুবিধাৰ বাবে বিদ্যালয় এৰি ১৯২৭ চনৰ ১৭ জুনত বালিজান চাহবাগিচাত পৰিদৰ্শক হিচাপে যোগ দিয়ে আৰু ১৯৩৬ চনলৈকে কাৰ্যনিৰ্বাহ কৰে।

গান্ধীজীৰ আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ তেওঁ সাত্বিক জীৱন যাপন কৰিছিল আৰু ভগৱদ গীতাক সংগী কৰি লৈছিল। ১৯৩১ চনৰ লোণ সত্যাগ্ৰহৰ সময়ত তেওঁ জীৱনৰ শেষ মুহূৰ্তলৈকে লোণ ত্যাগ কৰাৰ পণ লৈছিল। ১৯২৯ চনত তেওঁ প্ৰেমানন্দ দুৱৰাৰ কন্যা প্ৰভাৱতীৰ সৈতে বিবাহপাশত আবদ্ধ হয়।

স্বাধীনতা আন্দোলনত সক্ৰিয় অংশগ্ৰহণঃ ১৯৩৬ চনত চাকৰি এৰি কুশল কোঁৱৰে নিজকে সম্পূৰ্ণৰূপে ভাৰতৰ স্বাধীনতা আন্দোলনত উচৰ্গা কৰে। তেওঁ সৰুপথাৰ অঞ্চলত কংগ্ৰেছ দলক সংগঠিত কৰি সত্যাগ্ৰহ আৰু অসহযোগ আন্দোলনৰ নেতৃত্ব দিয়ে। পিছলৈ তেওঁ গোলাঘাট জিলা কংগ্ৰেছৰ সম্পাদক আৰু সৰুপথাৰ কংগ্ৰেছ কমিটিৰ সভাপতি হিচাপেও নিৰ্বাচিত হয়।

১৯৪২ চনত 'কৰিম কিম্বা মৰিম' মূলমন্ত্ৰ লৈ ভাৰত ত্যাগ আন্দোলন আৰম্ভ হয়। অসমত কংগ্ৰেছৰ 'শান্তি সেনা' আৰু 'মৃত্যু বাহিনী' গঠন কৰা হয় আৰু কুশল কোঁৱৰে তাত সক্ৰিয় অংশ লয়। যদিও গান্ধীজীয়ে অহিংসাৰ কথা কৈছিল, বহু দেশপ্ৰেমিকে ব্ৰিটিছৰ বিৰুদ্ধে বিধ্বংসী কাৰ্যকলাপ আৰম্ভ কৰিছিল।

সৰুপথাৰ ৰে'ল দুৰ্ঘটনা আৰু মিছা অভিযোগঃ ১৯৪২ চনৰ ১০ অক্টোবৰৰ নিশা প্ৰায় ১:৪২ বজাত সৰুপথাৰৰ ওচৰত ব্ৰিটিছ আৰু আমেৰিকান সৈন্য কঢ়িওৱা এখন ৰে'লগাড়ী মৃত্যু বাহিনীৰ কিছুমান সদস্যই লাইনচ্যুত কৰে। এই দুৰ্ঘটনাত বহু সৈন্যৰ মৃত্যু হয়।

ঘটনাৰ পিছত ব্ৰিটিছ চৰকাৰে ব্যাপক দমন-নীতি চলায়। অহিংস নীতিৰ অনুগামী কুশল কোঁৱৰক এই ৰে'ল দুৰ্ঘটনাৰ সৈতে জড়িত থকাৰ মিছা অভিযোগত গ্ৰেপ্তাৰ কৰা হয়। তেওঁৰ বিৰুদ্ধে কোনো প্ৰমাণ নাছিল, তথাপি তেওঁক ফাঁচীৰ হুকুম দিয়া হয়।

ফাঁচী আৰু আত্মবলিদানঃ বিচাৰত দোষী সাব্যস্ত কৰি ১৯৪৩ চনৰ ১৫ জুন তাৰিখে পুৱা ৪:৩০ বজাত যোৰহাট কেন্দ্ৰীয় কাৰাগাৰত কুশল কোঁৱৰক ফাঁচী দিয়া হয়। তেওঁ ভাৰত ত্যাগ আন্দোলনত ফাঁচী বৰণ কৰা একমাত্ৰ শ্বহীদ আৰু অসমৰ শেষ শ্বহীদ। ফাঁচীৰ আগমুহূৰ্তত তেওঁ গীতা পাঠ কৰিছিল আৰু 'বন্দে মাতৰম্' ধ্বনি দি দেশৰ প্ৰতি থকা গভীৰ ভালপোৱা প্ৰকাশ কৰিছিল। মিছাকৈ অভিযুক্ত হৈও তেওঁ সত্য আৰু ন্যায়ৰ পথত অটল আছিল। তেওঁৰ শেষ ইচ্ছা আছিল দেশৰ স্বাধীনতা।

উত্তৰাধিকাৰ আৰু স্মৃতিঃকুশল কোঁৱৰক আজি অসমত বীৰ হিচাপে সন্মান কৰা হয়। তেওঁৰ নামত বিদ্যালয়, পথ, প্ৰতিষ্ঠান আদি নামকৰণ কৰা হৈছে। প্ৰতি বছৰে ১৫ জুন তাৰিখে ৰাজ্যৰ বিভিন্ন প্ৰান্তত তেওঁৰ স্মৃতি দিৱস পালন কৰা হয়। গুৱাহাটীৰ নেহৰু উদ্যান, ডিব্ৰুগড়ৰ চৌকিডিঙি, গোলাঘাট জিলা আয়ুক্তৰ কাৰ্যালয় আদিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে তেওঁৰ আত্মবলিদানক দেশপ্ৰেমৰ অনন্য নিদৰ্শন বুলি অভিহিত কৰিছে। 'টাই আহোম যুৱ পৰিষদে' 'শ্বহীদ কুশল কোঁৱৰ বঁটা' প্ৰৱৰ্তন কৰিছে।

উপসংহাৰঃ শ্বহীদ কুশল কোঁৱৰৰ জীৱনে আমাক সাহস, সততা আৰু দেশপ্ৰেমৰ শিক্ষা দিয়ে। মিছা অপবাদ লৈও তেওঁ মূৰ দোৱা নাছিল, হাঁহি মুখে মৃত্যুক সাৱটি লৈছিল। তেওঁৰ আত্মবলিদানে প্ৰমাণ কৰে যে সত্যৰ শক্তি সদায় অপৰাজেয়। আজিৰ স্বাধীন ভাৰতত আমি যি মৰ্যাদাৰে জীয়াই আছো, তাৰ মূলতে কুশল কোঁৱৰৰ দৰে অগণন শ্বহীদৰ ত্যাগ। তেওঁৰ আদৰ্শই প্ৰতিটো প্ৰজন্মক দেশৰ বাবে কাম কৰিবলৈ প্ৰেৰণা দি যাব। শ্বহীদ কুশল কোঁৱৰ অমৰ। তেওঁৰ ত্যাগ অসম তথা ভাৰতবাসীয়ে চিৰদিন সোঁৱৰণ কৰিব।

## বৰষুণ



**ধৰণী চেতিয়া, চিলাপথাৰ, ধেমাজি**

বেটাৰি টমটমত কিমান আৰু পায়চাৰি কৰিম,
এপেচিটি বোৰতো দাম বঢ়াই দিছে!
টন তেলৰ যিহে হিচাপ!
কিমান আৰু তাঁত-বাতি কৰিম
ক্ৰমাৎ শহুৰৰ ঘৰলৈ যোৱা পথটো বন্ধ হৈ পৰিছে!
দিনে দিনে আলিবাটবোৰ অন্ধকাৰ হৈ পৰিছে,
নিস্তৰংগ হৈ পৰিছে এটি এটি যাযাবৰী ক্ষণ!
দূৰৰ ঘৰ বুলি এভুমকি নকৰাকৈ কেনেকৈ থাকোঁ!
দিনৰ শেষত, ব্যস্ততাৰ অন্তত
এবাৰ হ'লেও তোৰ কাষত এপলক
জিৰাবলৈ নাপালে
ভাগৰে নমৰে দেখোন!
ওচৰত হোৱা হ'লে দিনটোত কিমানবাৰ যে;
ঘাট মাৰিলো হেঁতেন,
চিনাকি ঘাটত অচিনাকি হৈ!
তোৰ কাষত অলপ জিৰাবলৈ
অলপমান মনৰ দুখ পাতলাবলৈ!
(মোৰ মন ফাগুনীয়ে দি গ'ল
ন- সম্ভৱাৰ বহুতো জোৰাৰ)
সমীৰৰ কথালৈ আৰু বাট নাচাম!
এইবেলি ব'হাগতে আহিবি,
ব'হাগৰ ব'হাগীজনি, মনৰ গোসাঁনীজনি হৈ!
গাজনি ঢেৰেকনি আৰু বহুত হ'ল
এতিয়া লাগে মাথোঁ এজাক
মুষলধাৰ বৰষুণ!
য'ত তই আৰু মই
দুয়ো একেলগে তিতিম!
হেঁপাহ পলুৱাই তিতিম।।

# কবিতা বেয়া পাওঁ বুলি নক’বা



**হেৰম্ব নাথ**

মোক বেয়া পাওঁ বুলি ক’
কিন্তু কবিতা বেয়া পাওঁ বুলি নক’বা
কবিতা কোনেও নপঢ়ে
কবিতাৰ কিতাপ বিক্ৰী নহয়
কিন্তু মদ বিক্ৰী হয়
কবিতা কোনেও নপঢ়ে
কিন্তু ৰজনীগন্ধা বিক্ৰী হয়।
কি হ’ব কি নহ’ব
সকলো নিজৰ কথা
মানে নিজৰ অধিকাৰ
ৰাজনীতিও বেয়া বস্তু
কিন্তু নিশা মন্ত্ৰী-বিধায়কৰ ওচৰলৈ যাওঁ
কিন্তু দিনৰ পোহৰত মেলে-মিটিঙে কওঁ
ক্ষমতাৰ পিছত নদৌৰিবা
প্ৰেম বেয়া বস্তু
সময় অবাবত অতিবাহিত হয়
প্ৰেম মানেই কেৰিয়াৰ গঢ়াৰ এখন মস্ত প্ৰাচীৰ
কিন্তু এটা চুমাৰ বাবে কোন বাৰু পাগল নহয়
সেই ওঠৰ বছৰত !
কাৰ বুকুত বাৰু
না ধিন না প্ৰেমৰ লহৰ নুঠে
যেতিয়া দীঘলীপুখুৰী পাৰত
সাগৰিকা-মধুমিতাহঁতে চকুত চকু, বুকুত বুকু,
ওঁঠত ওঁঠ থৈ কথা পতা দেখে
আস্ ! খোজবোৰ কিয় এনেকুৱা হৈছে-
চিটিবাছৰ হৰ্ণ গমকেই পোৱা নাইচোন
নিজৰ হাতৰ মুঠিটোকেই চুমা দিবলৈ মন যায় অ’
দেহাজান-মইনাজান অ’
নাচি উঠে দুচকুৰ আগত
সাগৰিকাহঁতৰ খামুচিয়া কঁকালৰ ভাঁজবোৰ
কঁপাহী কোমল অনুভূতিসিক্ত দুচকুৱে ঘূৰে
প্ৰেম পুখুৰীৰ পাৰে পাৰে
দুচকুৰ ভোক নপলাই
চাই চাই হেঁপাহ নপলায়
ৰিমজিম আবেলিৰ বতাহজাকে
কাণে কাণে কৈ যায়
চা চা সাগৰিকা-মধুমিতা-নন্দিতাহঁতৰ
চালে চকু ৰোৱা গুলপীয়া হাঁহিবোৰ
মেঘৰ আঁৰৰ বেলি যেন সিহঁতৰ ওঁঠৰ সুষমা
বুকুৰ মঞ্জিমা
দুবৰিয়ে নাচে ৰুণজুন নুপূৰৰ ছন্দত
প্ৰেমাস্পদৰ মধুময় মৰমবোৰ ছন্দে ছন্দে বৰষে যেতিয়া
ভালপোৱাজনৰ প্ৰেমৰ মৃদু ধ্বনিত
প্ৰতিধ্বনিত হয়
আই লাভ ইউ টু
পলকতে বুকুৰ বাকৰিত সৰি পৰে এপাহ কৃষ্ণচূড়া
হয়তো, আজিও আছে প্ৰেমৰ সেই সুগন্ধীময়
ৰঙীন ফুলপাহ
কৃষ্ণচূড়াৰ...!
কিন্তু কাৰ হাতত ?
কাৰোবাৰ বাবে সেই ফুলপাহো হ’ব পাৰে
তাজমহল !

# ঈৰ্ষা জীৱনৰ বাবে প্ৰেৰণা হৈ এটুকুৰা হীৰাৰ দৰে জিলিকি উঠাত সহায় কৰে জীৱন




**নমিতা দাস, শুৱালকুছি**

এটুকুৰা হীৰা যেনেকৈ মুল্যবান ঠিক সেইদৰে জীৱনত কেতিয়াবা আগবাঢ়ি যাবলৈ ঈৰ্ষাৰ সন্মুখিন হোৱাৰ অতি প্ৰয়োজন । কেতিয়াবা জীৱনত আগুৱাই যোৱাৰ মহৌষধ স্বৰূপ হৈ পৰে ঈৰ্ষা ।

অসমীয়াত এষাৰি কথা আছে “গোৰ মাৰি গংগাত পেলাই দিয়া” তাৰ অৰ্থ হৈছে ঈৰ্ষা বা হিংসা কৰি আনক বিফল কৰিবলৈ গৈ ওলোটা সফলতাৰে উপচায় পেলোৱা। সমাজত হয়তো বহু কম মানুহ ওলাব যোনে জীৱনত এবাৰো ঈৰ্ষাৰ বলি হোৱা নাই ।প্ৰতি জন সফল ব্যক্তিৰ পিছতে কিছুমান ব্যক্তিৰ ঈৰ্ষা সোমাই থাকে। সেইটো সৰ্বজন বিদিত ।এগৰাকী নাৰী নতুবা পুৰুষৰ কৰ্মৰ জীৱনৰ বাটত প্ৰথম খোজ দিওঁতে যেতিয়া সফল হ’বলৈ আৰম্ভ হয় বাৰে বাৰে তেওঁক পিছ ফালৰ পৰা শৰ মাৰা হয়। যিকোনো উপায়ে তেওঁক সেই স্থানৰ পৰা নমাবলৈ তেওঁৰেই আশে-পাশে থকা ব্যক্তি সকলে লাগি থাকে। আকৌ আন কিছুমানে তেওঁক সুযোগ-সুবিধা দিব নিবিচাৰে নতুৱা তেওঁক সমালোচনাৰে ঠকা-সৰকা কৰে। এই সকলোবোৰ নেওঁচি মা, দেউতা আৰু ঈশ্বৰৰ আশীৰ্বাদ লৈ একাণপতিয়া ভাবে সম্পূৰ্ণকৈ নিজৰ কামত অটল থাকি আগুৱাই খোজ কাঢ়িবলৈ শিকা হয় তেতিয়াই যিকোনো কামৰ সফলতা আহিবলৈ ধৰে। সময়ত কাৰোবাৰ পৰা পোৱা ঈৰ্ষায়ো মনলৈ কঢ়িয়াই আনে নতুন উদ্দম । সেই উদ্দমেই আগুৱাই যাবলৈ সাহস দিয়ে । অহৰনিশে কিবা এটা কৰাৰ কথাই বিৱেকক আসন্ন কৰি ৰাখে, মনটোক শক্তিশালী কৰি তোলে ।এষাৰি উপদেশ মুলক বাক্যৰ দৰে যেতিয়াই ঈৰ্ষাক আশীৰ্বাদ হিচাপে গ্ৰহণ কৰা হয়, তেতিয়া উদ্দমী মনটোক প্ৰেৰণা যুগাই । মানসিক ভাবে বেছি শক্তি দিয়ে, এই শক্তিয়ে মানসিক আৰু শাৰীৰিক ভাবে সবল কৰি ৰাখিবলৈ শক্তিশালি ৰূপত আত্ম নিয়োগ হ’ব লৈ সাহস দিয়ে। আনহাতে তেনে কামবোৰৰ বাবে যি উদ্দীপনা পায় তাৰ বাবে ইতিবাচক প্ৰভাবে নিজৰ গন্তব্য স্থান বিচাৰি ল’বলৈ সহায় কৰে। কাৰোবাৰ মৰম আৰু উৎসাহ মূলক প্ৰেৰণাই বিপথগামী মানুহকো সৎ পথলৈ ঘূৰাই আনাৰ দৰে ঈৰ্ষান্বিত ব্যক্তিৰ কথাটোক যোগাত্মক দৃষ্টি ভংগি ৰাখি মনত সাহস আৰু প্ৰেৰণা হিচাপে লৈ জীৱনৰ পথত আগুৱাই যাবলৈ চেষ্টা কৰা অতি প্ৰয়োজন । ঈৰ্ষান্বিত ব্যক্তিৰ ঈৰ্ষাক মৰমেৰে বা শ্ৰদ্ধা সহকাৰে আশীৰ্বাদ বিচাৰে গ্ৰহণ কৰি তেওঁৰ ঈৰ্ষাক চিৰ দিনৰ বাবে জয় কৰিব পাৰি ।

জীৱন, আকাশৰ দৰে বিশাল পৰিধি ওপজাৰ পিছতে শিশুটোৰ পৰা হাঁহি আৰু কান্দোন বিচাৰোঁ সেইটো ঈশ্বৰ প্ৰদত্ত জন্মৰ লগতে দি পঠিয়াই ।শিশু এটি লাহে লাহে যেতিয়া ডাঙৰ হ’বলৈ ধৰে ঠিয় হবলৈ, খোজ দিবলৈ ধৰে, বাৰে, বাৰে পৰাৰ পিছতো আকৌ ঠিয় হ’বলৈ দি খোজ দিবলৈ শিকোৱা হয়। আৰম্ভ হয় জীৱন যুঁজৰ যাত্ৰা। তেতিয়াৰ পৰাই আৰম্ভ হয় আত্মীয় সকলৰ মৰম আৰু প্ৰেৰণাৰে আগুৱাই যোৱাৰ প্ৰথম খোজ ।

জীৱনৰ বাটত প্ৰথম খোজ দিওঁতে যেনেকৈ বাৰে বাৰে পৰাৰ পিছত মা, দেউতা বা আত্মিয়ৰ আঙুলিত ধৰি সম্পূৰ্ণকৈ খোজ কাঢ়িবলৈ শিকা হয়। সেইদৰে যিকোনো কাম কৰাৰ সময়ত আনৰ পৰা পোৱা ঈৰ্ষাক আশীৰ্বাদ স্বৰূপ বুলি ভাবি উৎসাহেৰে মনলৈ নতুন উদ্দম আনি আগুৱাই যোৱাৰ বাবে সাহস গোটাব লাগে ।কিন্তু সেই উদ্দমী মনটোৰে কাম কৰাত যদি ঈৰ্ষাৰ সন্মুখিন হ’ব লগা হয়, আগুৱাই যাবলৈ সাহস পোৱাৰ পৰিবৰ্তে পিছ হুঁহকি যোৱা হয় আৰু মানসিক অশান্তি ভোগ কৰা হয় । তেতিয়া আগুৱাই যোৱাত বাধা আহি পৰে, সেইটো নকৰি অহৰনিশে কিবা এটা কৰাৰ কথাই বিৱেকক আসন্ন কৰি ৰাখি মনটোক শক্তিশালী কৰি তুলিবলৈ কিছু সময়ৰ প্ৰয়োজন হয় সেই সময়লৈ অপেক্ষা কৰিলে নিশ্চয় আগুৱাই যোৱাত সহায় হ’ব। এষাৰি উপদেশ মুলক বাক্যই উদ্দমী মনটোক প্ৰেৰণা যুগাই ঠিকেই ঈৰ্ষাই মানসিক শক্তি হানি কৰিলেও নিজৰ মনটোক শক্তিশালী ৰূপত আগুৱাই নিবলৈ প্ৰস্তুত কৰি ৰাখিব লাগিব। এগৰাকী ব্যক্তৰ ব্যক্তিগৰাকীক, মানসিক আৰু শাৰীৰিক ভাবে ঈৰ্ষাই অসুস্থ কৰি ৰাখে। কিন্তু ঈৰ্ষাক যদি জয় কৰিবলৈ হয় তেন্তে মানসিক ভাবে শক্তিশালী হোৱাটো নিতান্তই প্ৰয়োজন। আনহাতে আনৰ নেতিবাচক কথা আৰু কামৰ পৰা নিজকে আতৰাই আনি নিজে মানসিক শক্তি গোটাই লৈ শুদ্ধ চিত্তে কৰা কামবোৰৰ বাবে যি উদ্দীপনা পায় তাৰ বাবে ইতিবাচক প্ৰভাবে নিজৰ গন্তব্য স্থান বিচাৰি ল’বলৈ সহায় কৰে। কাৰোবাৰ মৰম আৰু উৎসাহমুলক প্ৰেৰণাই বিপথগামী মানুহকো সৎ পথলৈ ঘূৰাই আনে। প্ৰেৰণা দিয়া ব্যক্তি গৰাকী জীৱনৰ বাবে হৈ পৰে পথ পদৰ্শক। ইতিবাচক চিন্তাধাৰাইয়ো ব্যক্তি গৰাকীৰ আশীৰ্বাদ হৈ সফলতাৰে চিৰ দিনৰ বাবে আগুৱাই লৈ যায় আৰু ঈৰ্ষা তেওঁৰ প্ৰেৰণা হৈ চিৰস্মৰণীয় হৈ ৰয় । গতিকে এটুকুৰা হীৰা যেনেকৈ মুল্যবান ঠিক সেইদৰে সময় সাপেক্ষে ঈৰ্ষাও প্ৰেৰণা হৈ জীৱনৰ বাবে অতি মুল্যবাদ হৈ পৰে।